# অতিথিৰ একলম

# আকাংক্ষা

# অসহ্যকৰ



...✍ মণিকুন্তলা ভট্টাচাৰ্য
বিশিষ্ট সাহিত্যিক

**কিছুমান** কথা সমূলি সহ্য নহয়। যেনে আমাৰ ভাষাৰ লটি-ঘটি। অসমীয়া ভাষাত তিনিটা 'স' আছে। 'শ', 'ষ', 'স'ৰে আমাৰ ভাষা চহকী আৰু শুৱনি। কিন্তু বাস্তৱত সকলো একাকাৰ। ঠিক একাকাৰ নহয়, হাহাকাৰ। স-ৰ ঠাইত হ বা খ উচ্চাৰিত হয়। আমি অসম- অসমীয়া শব্দ দুটাকে যদি শুৱলাকৈ উচ্চাৰণ কৰিব নোৱাৰো আৰু কি বাকী থাকিল? গুৰুত্ব নিদিয়ে কোনেও। মাজতে টিভিৰ আলোচনা এটাত সম্ভৱতঃ মৃণালকান্তিয়ে (ক্ষমা কৰিব, যদি নাম ভুল হৈছে) কৈছিল গীতৰ কৰ্মশালা পতাৰ কথা। গায়ক-গায়িকাসকলে শিকিব লাগে শব্দৰ উচ্চাৰণ। অতি সুন্দৰ কথা কৈছিল। মহম্মদ ৰফিৰ মুখত — 'অসমীৰে চোতালতে...' কি সুন্দৰ উচ্চাৰণ। ড০ ভূপেন হাজৰিকাদেৱৰ চেষ্টাত আমি অসমৰ বাহিৰৰ বহু গায়কৰ মুখত অসমীয়া গান শুনিলোঁ। লতা মংগেশকাৰ, উষা মংগেশকাৰ, ৰফি চাহাব আৰু কিমান কি গায়ক আগবাঢ়িল অসমীয়া ভাষাত গাবলৈ। মন দি শুনিছোঁ, উচ্চাৰণ-বিভ্ৰাট নাই। শ্ৰেয়া ঘোষালেও অসমীয়া গানত শ-য-সৰ একেবাৰে নিৰ্ভুল উচ্চাৰণ কৰিছে।

উচ্চাৰণ নকৰোঁ আমি। আমাৰ লেখক কিছুমানো সচেতন নহয়। হ আৰু খ-ৰে কাম চলাই দিয়ে। কিন্তু ইংৰাজীৰ ক্ষেত্ৰত এনে হয়নে, এনে কৰেনে তেওঁলোকে? গান্ধী ছাত্ৰ হৈ থাকোঁতে বিদ্যালয়লৈ পৰিদৰ্শক আহোঁতে শিক্ষকে শুদ্ধ বানানটো গোপনে শিকাই দিয়া কাহিনীটোলৈ মনত পৰে। তাত গান্ধীয়ে শিক্ষকজনৰ ভুল শিক্ষা গ্ৰহণ কৰা নাছিল। কাৰণ তেওঁ আছিল গান্ধী, যি বিশ্বাস কৰিছিল অহিংসাক, মানুহক কৈছিল সত্যৰ সদায় জয়। তাৰ লগতে জীৱনত তেওঁ যি শিকিছিল, শুদ্ধকৈ শিকিবলৈ চেষ্টা কৰিছিল। বিলাতত থাকোঁতে নৃত্য শিকিছিল। শিকিছিল মোচত মম কেনেকৈ ঘঁহিব লাগে।

মানুহৰ শিকাৰ অন্ত নাই। শিকো বুলিলে সকলো পাৰে নিশ্চয়। যি সময়ত আমি অসমীয়া ভাষা-সাহিত্য-গ্ৰন্থৰ ভৱিষ্যৎ সম্পৰ্কে চিন্তিত, তাৰ তুলনাত শ-স-ষলৈ মুঠেও ভবা নাই।

শ-স-ষ সৰৰ দৰে হৈ গ'ল যেন:
অসহ্যকৰ।

মোৰ অসহ্য লাগে স্বাধীন অসমৰ সপোন, দেখুওৱা, প্ৰতিশ্ৰুতি দিয়া বিপ্লৱীসকল ঘূৰি আহি যেতিয়া সভা-সমিতিৰ মঞ্চত গামোচা পিন্ধি বহি থাকে। হাজাৰজনী মাতৃৰ বুকুৰ জুইঁকুৰা দাউদাউকৈ জ্বলে মোৰ বুকুত। চিঞৰি চিঞৰি ক'বৰ মন যায়— ঘূৰাই দিয়া আমাৰ ল'ৰাবোৰ, শ্বহীদৰ গামোচা ঘূৰাই দিছোঁ, ল'ৰা ওভতাই দিয়া। মেধাৱী ছাত্ৰ হেৰুওৱা শিক্ষক হৈ আঙুলি জোকাৰিব মন যায় — কিয় তুলি দিছিলা সেই ল'ৰাৰ হাতত অস্ত্ৰৰে সিহঁত কলম লোৱা

ল'ৰা আছিল, মানৰ সম্পদ আছিল। যৌৱনবোৰক ফুচুলাই ফুচুলাই দেশপ্ৰেমিক কৰিছিলা যেনেকৈ, সেই বুদ্ধিমান মস্তিষ্কৰে যুক্তিৰ আঙুলি জোকাৰি কেন্দ্ৰক কথা কোৱাচোন চাওঁ। সমস্যা জৰ্জৰিত অসমৰ প্ৰাপ্যবোৰ কেন্দ্ৰৰ পৰা আদায় কৰি গঢ়ি দেখুওৱাচোন সোণৰ অসম, চাওঁ।

কি হ'ব আমাৰ নেতৃত্ব সলনি কৰি।

সকলোৰে একোটা গানেই। একেবোৰ সভাৰ একেবোৰ ভাষণেই! এইবোৰেৰে কিবা হ'বনে? ৰোধ হ'বনে বানপানী?

হয়, প্ৰতিবছৰে অসমৰ সাধাৰণ জনতা, সেউজীয়া গাওঁবোৰ ডুবি যায় — উটি যায় বানপানীত। ব্ৰহ্মপুত্ৰৰ গতি-গোত্ৰ আন নদীৰ দৰে নহয়। ই নদ। কিন্তু আজি ইমান বছৰেও বানপানী নিয়ন্ত্ৰণকে কৰিব পৰা নগ'ল যে? বিজ্ঞান-প্ৰযুক্তিৰ আধুনিক সময়ত বাস কৰিছোনে আমি? সীমাৰ সমস্যা, লুণ্ঠন-শোষণ, ধৰ্ম-ভাষা, ধৰ্ষণ-হত্যা আদিৰে অসম জুৰুলা। বহিৰাগতৰ কথা নক'লোৱেইবা! ইমানেই যথেষ্ট আছিল, তাৰ ওপৰতে খেতিপথাৰত শুঁৰপোক, পতানৰ দৌৰাত্ম্য। সবাৰো ওপৰত বানপানী। আহিব লগা বানৰ বাবে খৰালিতে কিয় সচেতন নহয় চৰকাৰ?

বানপীড়িত মানুহখিনিলৈ দুখ লাগে মোৰ আৰু তেওঁলোকৰ কাষত গৈ নেতাসকলে দিয়া আশ্বাস?

অসহ্যকৰ।

বাৰানসী চহৰ মোৰ প্ৰিয় চহৰ। গংগাঘাটৰ নিষাদ মন্দিৰৰ উত্তৰাধিকাৰজনৰ এখন নাও আছে। তেওঁ নাৰত যাত্ৰী উঠাই যি ক'ব লাগে কয়, কিন্তু মোক তেওঁ গান শুনায়। সৰু সৰু বন্দীশ কিছুমান। চুটি চুটি ঠুমৰী কিছুমান। আমি বিয়লিৰ গংগাত নৌকাবিহাৰ কৰোঁ। তেওঁ চকু মুদি আপোনমনে গাই গাই ব'ঠা মাৰে। নাৰে টুলুংভুটুং কৰে, বাৰানসীত গংগা উভতি বয়, সেয়ে ব'ঠা সহজ নহয়। শেষৰবাৰ তেওঁ পথ সলাইছে নাৰৰ, কাৰণ কি সুধিলোঁ। তেওঁ মোৰ পাছফাললৈ আঙুলিয়ালে। ঘূৰি চাই দেখিলোঁ চৰ এটা। গংগাত খনন চলিছে। গংগাৰ বুকুৰ মাটি ইটো পাৰত দ'মাইছে। তিতা বালি, দ'মৰ পৰা পিছলি বহলিছে। চৰ হৈ পৰিছে। তেওঁ এইবাৰ আনফালে আঙুলিয়ালে, গান গাই থকাৰ মাজতে ক'লে — 'গংগা ঘাটৰ সৌবোৰ ছিৰি



দেখিছে? পানীৰ তলত আছিল। মোৰ ককাহঁতেও নেদেখা ছিৰি আমি দেখিলোঁ। গংগাৰ বুকু খান্দি দিয়াত পানী তললৈ নামিল।'

মই ভাবিলোঁ — আমাৰ উত্তৰ পুৰুষেও এনেকৈ কওক — 'আমাৰ ককাহঁতৰ দিনত ব্ৰহ্মপুত্ৰ ইয়ালৈকে আহিছিল, এতিয়াহে দুয়োপাৰৰ বান্ধোনত সৌ তাতে বৈ গ'ল।'


হ'বনে কেতিয়াবা এনে কথা?

মই ভাবোঁ আৰু ছটফটাই উঠোঁ। যেন সৰ্বস্বান্ত হ'বলৈ গৈ আছোঁ, প্লাৱিত হৈ গৈছে মোৰ গোটেই চুবুৰিটো... ব্ৰহ্মপুত্ৰ বছৰে বছৰে বহলাই আহি আছে...বাঢ়ি আছে....আহি আছে লাহে লাহে মৰুভূমিৰ দৰে....।

নতুন নতুন চৰকাৰ গঠন হ'ব।

ভাবোঁ আৰু অসহ্য লাগে আকৌ এবিধ নতুন প্ৰতিশ্ৰুতি দিব বুলি ভাবি।

# ভক্তি সাহিত্য আৰু মাধৱদেৱৰ নাম-ঘোষাত ভক্তিতত্ত্ব



✎ ড° ইন্দিৰা শইকীয়া বৰা
মুৰব্বী অধ্যাপিকা, শঙ্কৰদেৱ অধ্যয়ন বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, নগাওঁ

**ভক্তিৰ পৰিসৰ অতিশয় ব্যাপক ঃ** ভক্তিৰ বীজ পোন প্ৰথমে ঋগ্বেদতেই অঙ্কুৰিত হৈছিল আৰু কালক্ৰমত ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ, *ৰামায়ণ, মহাভাৰত, শ্ৰীমদ্‌ভগৱদ্‌গীতা, ভাগৱতপুৰাণ* আদিত বিভিন্ন প্ৰসঙ্গত ভক্তিৰ আত্যন্তিক প্ৰয়োজনৰ কথা উল্লেখ কৰা হৈছে। *শ্বেতাশ্বতৰোপনিষদতেই* ভক্তিৰ বিষয়ে প্ৰথমে উল্লেখ কৰি ভক্তিৰ সহায়ত ভগৱদ্‌প্ৰাপ্তিৰো উপায় নিৰ্দ্দেশ কৰা হৈছে।

*যস্য দেৱে পৰাভক্তিৰ্যথা দেৱে তথা গুৰৌ।*
*তস্যৈতে কথিতা হ্যৰ্থাঃ প্ৰকাশন্তে মহাত্মনঃ*
*প্ৰকাশন্তে মহাত্মনঃ।।*

(*শ্বেতাশ্বতৰোপনিষদ* -৬/২৩)

অৰ্থাৎ 'যাৰ পৰমেশ্বৰত অকৃত্ৰিম ভক্তি আছে আৰু তেনে ভক্তি গুৰুৰ প্ৰতিও আছে, উপনিষদত কথিত সেই সকলো বিষয় সেই ভক্তমহাত্মাৰেই উপলব্ধ হয়।'

ভক্তিৰ মূল *শ্ৰদ্ধা, প্ৰেম* আদিৰ কথা উপনিষদৰ বহুঠাইত উল্লিখিত হৈছে। প্ৰবন্ধৰ বিষয় হৈছে ভক্তিসাহিত্য আৰু মাধৱদেৱৰ নাম-ঘোষাত ভক্তিতত্ত্ব। ভক্তিসাহিত্যৰ বিষয়ে লেখাৰ আগেয়ে ভক্তি কাক বোলে, ভক্তিৰ শ্ৰেণী বিভাগ, ভক্তি আন্দোলনৰ ইতিহাস আৰু ভক্তি আন্দোলনৰ বৈশিষ্ঠ্য, ভক্তি আন্দোলনৰ ফলত সৃষ্টি হোৱা সাহিত্যৰ বিষয়ে আলোচনা আগবঢ়োৱালৈ প্ৰয়াস কৰা হৈছে।

**'ভক্তি' শব্দৰ অৰ্থঃ** *'ভক্তি'* শব্দটো সংস্কৃত *'ভজ্'* ধাতুৰ সৈতে *'ক্তিন্'* প্ৰত্যয়ৰ যোগত 'ভক্তি' শব্দ নিষ্পন্ন হৈছে। *'ভক্তি'* শব্দৰ অৰ্থ বিভিন্ন দৃষ্টিকোণৰ পৰা বিভিন্ন ধৰণে পোৱা যায়। *'ভজ্'* ধাতুৰ অৰ্থ হৈছে 'সেৱা কৰা'। 'সেৱা' মানে ঈশ্বৰৰ সেৱা। ঈশ্বৰৰ প্ৰতি অনুৰাগপূৰ্ণ আসক্তিয়েই ভক্তি। *শাণ্ডিল্যভক্তিসূত্ৰত* ঈশ্বৰৰ প্ৰতি অনুৰাগপূৰ্ণ আসক্তিক ভক্তি বোলা হৈছে।— *"সা ভক্তিঃ পৰানুৰক্তিৰীশ্বৰে"*-২/১। ঈশ্বৰৰ প্ৰতি পৰা অৰ্থাৎ নিৰতিশয় যি অনুৰক্তি তাকেই ভক্তি বোলে। নাৰদীয় ভক্তিসূত্ৰই ঈশ্বৰৰ প্ৰতি পৰমপ্ৰেমক ভক্তি বুলি কৈছে। *'সা(ভক্তিঃ) ত্বস্মিন্ পৰমপ্ৰেমৰূপা।'*—সেই ভক্তি আন একো নহয়, ঈশ্বৰৰ প্ৰতি গাঢ় প্ৰেম বা হৃদয় বিগলিত মৰম। এই সূত্ৰই আন এঠাইত অনিৰ্বচনীয় প্ৰেমৰ স্বৰূপকেই ভক্তি বুলিছে। —*"অনিৰ্বচনীয়ং প্ৰেম স্বৰূপম্"*। *"নাৰদ পঞ্চৰাত্ৰ"* অনুসৰি প্ৰেম পৰিপ্লুতমন হৰিৰ প্ৰতি স্বাৰ্থশূণ্য হৈ সদায় প্ৰবাহিত হৈ থকা অৱস্থাই ভক্তি। —*"মনোগতিৰৱিচ্ছিন্না হৰৌ প্ৰেমপৰিপ্লুতা। অভিসন্ধিৰিনিৰ্মুক্তা ভক্তি বিষ্ণুৱংশকৰী।।"*

আন এক সংজ্ঞা মতে ভক্তি হৈছে এনে এক সুক্ষ্ম আৰু গভীৰ অনুভূতি যাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। "সুক্ষ্মতৰম্ অনুভৱ ৰূপম্"। এনে ভক্তিকে মদ্ভাগৱতপুৰাণত অহৈতুকী আৰু অব্যৱহিতা ভক্তি বোলা হৈছে। —*অহৈতুক্যব্যৱহিতা যা ভক্তিঃ পুৰুষোত্তমে* -৩/২৯/১২। অৰ্থাৎ ঈশ্বৰৰ কৃপা লাভৰ

বাবে আত্মসমৰ্পণ। একে অৰ্থতে এনে ভক্তিক অনিমিত্তা ভক্তি বুলিও কোৱা হয়। (ভা.পু. ৩/২৫/৩৩)

*কীৰ্ত্তন-ঘোষাত* কোৱা হৈছে—

নাবাঞ্ছোহো সুখভোগ নমাগো মুকুতি।
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি।।
(পদ-৫২২)


ভক্তিৰ স্বৰূপ সম্পৰ্কে শঙ্কৰদেৱে কৈছে যে যিদৰে কৰ্ত্তব্যপৰায়ণ ৰাজকৰ্মচাৰীয়ে ব্যক্তিগত লাভৰ কথা চিন্তা কৰি ৰজাৰ সেৱা কৰে কিন্তু নিষ্কামভক্তই নিজস্বাৰ্থৰ কথা চিন্তা নকৰি নিঃস্বাৰ্থভাৱে ভগৱানৰ সেৱা কৰে। ভগৱানৰ প্ৰতি ভক্তৰ প্ৰকৃতি তেনে হোৱা উচিত। (কীৰ্ত্তন-পদ-৪৫০, ৪৫১)



এনেদৰে 'ভক্তি'শব্দটোৰ অৰ্থসম্পৰ্কে বিভিন্ন মতবাদৰ প্ৰচলন আছে। প্ৰকৃততে 'ভক্তি' হ'ল এটা মানসিক অৱস্থা। যাক কোৱা হয় ভক্তি উপাসকৰ পমি যাব খোজা মনৰ অৱস্থা। আনহাতে, ভক্তি এক গভীৰ অনুভৱ আৰু ই সদায় ধৰ্মৰ দ্বাৰা সিক্ত।

একমাত্ৰ সেৱাৰ মনোভাৱেৰে স্পৃহাহীন হৈ যিজনে বিষ্ণুৰ বা কৃষ্ণৰ ভজনা কৰে তেওঁৱেই প্ৰকৃত ভক্ত। তেনে ভক্তসকলে লীনমুক্তি কামনা নকৰে। যিহেতু 'লীন' অৰ্থাৎ সাযুজ্য মুক্তিত সেৱক সেৱাভাৱৰ বিলুপ্তি হয়। ভগৱানৰ লগত ভক্ত লীন হৈ যায়। তেনেক্ষেত্ৰত ভগৱদ্ ভক্তিৰ অৱকাশ নাথাকে। (পদ-১১৩) এই হৰিভকতিকে ভক্তই পৰম সম্পদ বুলি মানে। 'ভক্তিৰ্জ্ঞানায় কল্পতে' অৰ্থাৎ ভক্তিৰ পৰা জ্ঞান লাভ হয়। এই জ্ঞান হৈছে পৰমাৰ্থজ্ঞান বা ব্ৰহ্মজ্ঞান। ভগৱদ্‌ভক্তিৰ উদ্দেশ্যে আচৰণ কৰা চাৰি মাৰ্গ হ'ল— *জ্ঞান, কৰ্ম, যোগ* আৰু *ভক্তি*। ঈশ্বৰৰ লাভৰ নিমিত্তে এই চাৰিটা মাৰ্গক সোপান বুলিব পাৰি। এই চাৰিমাৰ্গৰ ভিতৰত ভক্তিমাৰ্গই শ্ৰেষ্ঠ। নাৰদভক্তিসূত্ৰটো পোৱা আছে— *'সা তু কৰ্মজ্ঞানায়োগেভ্যোঽধিকতৰা'*। জ্ঞান, কৰ্ম আৰু যোগ মাৰ্গেৰে ঈশ্বৰ প্ৰাপ্তিত দুষ্কৰ কাৰ্য সাধন কৰিবলগীয়াত পৰে। তুলনামূলক ভাৱে ভক্তিমাৰ্গ সহজ, যাক কোৱা হয় সুগম পন্থ। ঈশ্বৰৰ কৰুণা পাবলৈ হ'লে একমাত্ৰ সহজ উপায় হৈছে ভক্তি। এই ভক্তি হৃদয়ৰ বস্তু, মগজুৰ লগত তাৰ সম্পৰ্ক নাই।

**ভক্তিৰ শ্ৰেণীবিভাগ ঃ** ভকতিৰ (ভক্তিৰ) নটা লক্ষণ বা নটা পদক্ষেপ। সেয়ে ভক্তি নৱলক্ষণা বুলি কোৱা হয়। ইয়াকে নৱধা



প্ৰকাৰৰ বিষয়ে কৈছে—

শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চন পদসেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহঅৰ্পণ।।
নৱবিধ ভক্তি বিষ্ণুৰত আচৰে
সেহিসে পাঠ উত্তম।। (৩৪০)

শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চন, পাদসেৱন, দাস্য, সখ্য, বন্দন, আত্মনিবেদন এই নবিধ ভক্তিৰ এটাই আনটোৰ পৰিপূৰক কাম কৰে। উক্ত প্ৰকাৰসমূহৰ আলোচনা কৰা হ'ল—

**শ্ৰৱণ** ঃ ভগৱান বিষ্ণুৰ অৱতাৰ সমূহৰ নাম আৰু লীলাসমূহৰ কথা আনৰ পৰা শুনাই হৈছে শ্ৰৱণ। ভগৱৎ তত্ত্বজ্ঞ সন্ত। বৈষ্ণৱ বা গুৰুৰ মুখে ভগৱানৰ নাম, স্বৰূপ, গুণ, ক্ৰিয়া আদি বেদাদি শাস্ত্ৰৰ পৰা একনিষ্ঠভাৱে শুনোতে শুনোতে সেই বিষয়ৰ যি জ্ঞান হয় তাৰ পৰা মানুহৰ চিত্তত সেইবিষয়ৰ প্ৰতি বাসনা জন্মে। গতিকে এই শ্ৰৱণৰ দ্বাৰা মানুহৰ মনত ভগৱানৰ নাম, গুণ, ক্ৰিয়াৰ পৰোক্ষ জ্ঞান হয় আৰু সেয়াই ভগৱদভক্তিৰ বিকাশ ঘটায়। ভগৱানৰ নাম, গুণ নিজে গাই নিজে শুনাও শ্ৰৱণেই। এতেকে লোকে গোৱা বা নিজে গোৱা ভগৱন্তৰ নাম আৰু গুণাৱলী শুনাকে শ্ৰৱণ বোলে। মূল সংস্কৃত *ভক্তিৰত্নাৱলী* গ্ৰন্থৰ কান্তিমালা টীকাত কৈছে— *'শ্ৰৱণং নাম তন্নাম্যাদি শব্দানাং পৰোক্তনাং স্বোক্তানাং শ্ৰোত্ৰেণ গ্ৰহণম্।'*

ভক্তিও বোলে। এই নৱধা ভক্তিৰ উল্লেখ *'ভাগৱতপুৰাণ'*ত এনেদৰে আছে—

*শ্ৰৱণং কীৰ্ত্তনং বিষ্ণোঃ স্মৰণ পাদসেৱনম্।*
*অৰ্চনং বন্দনং দাস্য সখ্যআত্মনিবেদনম্।।*
*ইতি পুংসাৰ্পিতা বিষ্ণৌ ভক্তিচেন্নৱলক্ষণা।।*

(৭/৫/২৩)

কীৰ্ত্তনৰ অন্তৰ্গত প্ৰহ্লাদ চৰিতত প্ৰহ্লাদে হিৰণ্যকশিপুক ভক্তিৰ

(দ্ৰষ্টব্যঃ তীৰ্থনাথ শৰ্মা, ভক্তিবাদ, ১৯৯৫, পৃ.৭৫)

**কীৰ্ত্তন** ঃ শ্ৰৱণ ভক্তিৰ দ্বাৰা হৃদয়ঙ্গম হোৱা ভগৱানৰ নাম-কৰ্মাদি কথা যদি আকৌ নিজমুখে বাৰে বাৰে আবৃত্তি কৰা হয় বা আনৰ আগত শ্ৰুত ভগৱৎ তত্ত্বৰ কথা ভক্তৰ মনত যাতে দৃঢ়ভাৱে অঙ্কিত হয় তাৰ কাৰণে ভগৱানৰ নাম-কৰ্মাদিৰ নিজ মুখে আবৃত্তি কৰিব লাগে। এই কীৰ্ত্তন অকলশৰীয়াকৈ বা সমূহীয়াকৈ দুয়ো প্ৰকাৰে হ'ব পাৰে। সমূহীয়া কীৰ্ত্তনকে সংকীৰ্ত্তন বোলে। এই

কীৰ্ত্তন পাঁচ প্ৰকাৰৰ— নামোচ্চাৰণ, স্তুতিপাঠ, কথাব্যাখ্যা, গীত আৰু অভিনয়। আনে শুনাকৈ বা নিজে শুনাকৈ নামোচ্চাৰণ কৰিলেও কীৰ্ত্তন হয়। ভগৱানৰ সহস্ৰনাম, স্তোত্ৰ, ঘোষা আদিৰ পাঠ বা আবৃত্তি কৰাই স্তুতি পাঠ। *গীতা, ভাগৱত* আদি শাস্ত্ৰৰ ব্যাখ্যাই কথা ব্যাখ্যা। ভগৱানৰ নাম আৰু লীলাসমূহ গান কৰি গোৱাই গীত। ঈশ্বৰৰ লীলাৰ ভাও দেখুৱাকে বা অনুকৰণ কৰাকে অভিনয় বোলে।

*ভাগৱতপুৰাণত* শ্ৰীকৃষ্ণই উদ্ধৱক কৈছে— 'হে উদ্ধৱ! মোৰ কথা গান কৰি উচ্চৈঃ স্বৰে কীৰ্ত্তন কৰি, মোৰ কথাকে কৈ নৃত্য কৰি, মোৰ কৰ্মসমূহৰ অভিনয় কৰি, মোৰ কথা আনক শুনাই বা নিজে শ্ৰৱণ কৰি অলপ সময়ৰ কাৰণে হ'লেও আনন্দমুখৰ হোৱা (১১/২৭/৪৪)।'

**স্মৰণ ঃ** ভগৱৎ কথাবিষয়ক বাসনা যাতে চিৰস্থায়ী হয় তাৰ কাৰণে ভগৱানৰ নাম আৰু ৰূপৰ চিন্তা কৰাই স্মৰণ। পুনঃ পুনঃ স্মৰণ নকৰিলে ভক্তৰ মানসপটত অংকিত ভগৱদ ভক্তিৰ বাসনা সংসাৰৰ অন্যবাসনাৰ দ্বাৰা লুপ্ত হোৱাৰ উপক্ৰম হয়। সেইকাৰণে ভগৱদভক্তি বিষয়ক বাসনা অন্তঃকৰণত যাতে বাৰে বাৰে অনুভূত হয়। তাৰে বাৰে স্মৰণাত্মক ভক্তিৰ প্ৰয়োজন। মনৰ ভিতৰতে ঈশ্বৰৰ নাম সোঁৱৰা, অভিমতৰূপৰ ধ্যান কৰা আৰু মানসজপ কৰা এই সকলোবোৰ স্মৰণ ভক্তিৰ ৰূপ। বৈষ্ণৱসাহিত্যত শ্ৰৱণ আৰু কীৰ্ত্তন ভক্তিকেই 'মহাশ্ৰেষ্ঠতৰ' বোলা হৈছে যদিও স্মৰণ ভক্তিও সমানে তাৎপৰ্যপূৰ্ণ। যিহেতু স্মৰণ নোহোৱাকৈ শ্ৰৱণ আৰু কীৰ্ত্তন হ'ব নোৱাৰে। স্মৰণৰ মহিমা বা কাৰ্যকাৰিতা এক প্ৰকাৰে চালে শ্ৰৱণতকৈও বেছি। শ্ৰৱণ আৰু কীৰ্ত্তন দিনটোৰ সকলো সময়তে সম্ভৱ নহ'বও পাৰে, কিন্তু স্মৰণৰ সময়-অসময় নাই। অহৰ্নিশে সকলো সময়তে হ'ব পাৰে।

**অৰ্চন ঃ** 'অৰ্চন' শব্দৰ অৰ্থ 'পূজা'। অৰ্চনাক ইজ্যাও বোলে। ভক্তিবাদীসকলৰ মতে এই ইজ্যা 'অচ্যুতেজ্যা' একমাত্ৰ পুৰোষোত্তম বিষ্ণু বা কৃষ্ণৰ স্তুতি। গছৰ গুৰিত পানী দিলে ডাল-পাতে পোৱাৰ দৰে ভগৱান বিষ্ণুক পূজা কৰিলে সকলোৰে পূজা হয়। ভাগৱত- যথা তৰুমূলে ইত্যাদি নিজৰ ভোগোপযোগী দ্ৰব্য আৰু ভগৱানৰ প্ৰিয় বুলি জ্ঞাত নানা উপহাৰ দ্ৰব্য ভগৱানৰ উদ্দেশ্যে যথাবিধি ত্যাগ কৰাকে অৰ্চনাত্মক ভক্তি বোলা হয়।

**পাদসেৱন ঃ** ভগৱানৰ গৃহপ্ৰতিষ্ঠা, প্ৰতিমাস্থাপন, গৃহলেপন আৰু ভক্তবৈষ্ণৱ সাধুলোকৰ নানা প্ৰকাৰৰ প্ৰীতিসাধনেই ভগৱানৰ পাদসেৱন। এই সেৱাত অভ্যস্ত হৈ ভক্তই দাস্য প্ৰেমত একাগ্ৰভাৱে স্থিৰ চিত্তৰ দ্বাৰা ক্ৰমে নিজৰ মনতে পৰমাত্মাৰ অমূৰ্ত্ত চৰণৰ সেৱা কৰিবলৈ সমৰ্থ হয়। ভগৱানৰ পৰিচৰ্যাকালত (পাদসেৱনত) নিজকে তেওঁৰ দাস বুলি ভাবোঁতে ভাবোঁতে পাছৰ দাস্য, সখিত্ব আৰু আত্মনিবেদন অৱস্থা প্ৰাপ্ত হয়।

**বন্দন ঃ** ভগৱানৰ সন্মুখত নতজানু হৈ নম্ৰতাৰে সৈতে ভগৱানৰ অনন্ত মহিমাক হৃদয়ত ধ্যান কৰি স্তুতি কৰাৰ নাম *বন্দন ভক্তি।* বন্দন ভক্তিৰ মাহাত্ম্য ইমানেই বেছি যে অজ্ঞান অৱস্থাতো যদি বিষ্ণুৰ প্ৰতি প্ৰণাম কৰা হয় তথাপি বিষ্ণুৰ কৃপা সহজে লাভ কৰিব পাৰি আনকি বৈৰীভাৱে বিষ্ণুৰ বন্দনা কৰিও পৰম পদ লাভ কৰিব পাৰি।

**দাস্য ঃ** পৰমাত্মাক নিজ পিতৃ, প্ৰভু, সেৱক আদি ভাৱেৰে কৰা ভক্তিকে কোৱা হয় *দাস্য ভক্তি।* এইবিধ ভক্তিত ভক্ত হ'ল ভগৱানৰ দাস বা ভৃত্য, তেওঁৰ নিজৰ বুলিবলৈ একো নাথাকে নিজকে ভগৱানৰ দাস বুলি ভাবি সমস্ত কৰ্মফল ভগৱান অৰ্পণেই দাস্য ভক্তিৰ নিদৰ্শন। ভৃত্যই যি কাম কৰে তাৰফল গৰাকীয়ে পায়। গৃহস্থৰ কৰ্মসম্পাদন কৰোঁতে ভৃত্যই যিদৰে আত্মস্বাৰ্থ বিলোপ কৰি কৰে, ভক্তিধৰ্মত ভক্তয়ো সকলো কৰ্মতে মইমোৰ ভাৱ নোহোৱা কৰিব লাগে। এয়েই দাস্য ভক্তি।

**সখ্য ঃ** সখ্য ভক্তিত ভক্তই ভগৱানক পৰম প্ৰিয় সুহৃদ বুলি ভাৱে আৰু ভগৱানৰ দৰ্শন লাভ কৰিবলৈ উদগ্ৰীৱ হয়। ভগৱানৰ ওপৰত পৰমবিশ্বাস স্থাপনেই সখ্য ভক্তি। এইভাৱ দাস্যতকৈও গভীৰ। দাস্যত ভৃত্য আৰু প্ৰভুৰ মাজত দুৰত্বৰ ব্যৱধান এটি থাকি যায়। কিন্তু সখ্যত সেই ব্যৱধান কমি গৈ ভগৱান ভক্তৰ বাবে পৰম বিশ্বাসৰ পাত্ৰ মিত্ৰজনৰ দৰে হৈ পৰে।

**আত্মনিবেদন ঃ** নৱধা ভক্তিৰ অন্তিম হৈছে আত্মনিবেদন। পৰম প্ৰিয় ভগৱানক চিন্তা কৰি থাকোঁতে থাকোঁতে ভক্তৰ নিজস্ব বা আত্মভাৱ নোহোৱা হৈ যায় তেতিয়া ভগৱানৰ চৰণত নিজকে সমৰ্পণ কৰে। এনে ভক্তৰ কোনো আত্মাভিমানবোধ নাথাকে। এয়ে ভক্তিৰ চৰম অৱস্থা। ইয়াৰ নাম শৰণাগতি বা একশৰণ।

এই নৱবিধা ভক্তিৰ ভিতৰত নিৰ্গুণকৃষ্ণৰ নাম গুণৰ শ্ৰৱণ-কীৰ্ত্তন কৰাকে বৈষ্ণৱ সাহিত্যত শ্ৰেষ্ঠ বুলি কোৱা হৈছে।

**ভক্তি আন্দোলনৰ ইতিহাস ঃ** ভাৰতীয় ভক্তি আন্দোলনৰ ইতিহাস অতি প্ৰাচীন। ভক্তি ধৰ্মৰ উদ্ভৱ হৈছিল দক্ষিণ ভাৰতৰ তামিল প্ৰদেশত এইখন প্ৰদেশতেই প্ৰথমে ভক্তিৰ বীজ ৰোপন হৈছিল।

কালক্ৰমত সেই বীজ অঙ্কুৰিত হৈ সমগ্ৰ উত্তৰভাৰত আৰু পূৰ্বভাৰতত এনেকৈ বিস্তাৰ লাভ কৰিলে যে ভাৰতীয় জাতীয় জীৱনত ই নতুন যুগৰ সূচনা কৰিলে।

আধুনিক ভাৰতীয় সাহিত্যৰ ভিতৰত তামিল সাহিত্যই অতি প্ৰাচীন। খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ তামিল প্ৰদেশৰ এই সময়ছোৱাক 'ভক্তিকাল' বুলি কোৱা হয়। এইকালৰ সাহিত্যিক সকলে প্ৰথম অৱস্থাত সাহিত্য সৃষ্টিত মনোনিবেশ কৰিছিল যদিও পিছলৈ ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰতো আগভাগ লৈছিল। তেওঁলোকে জন-সাধাৰণৰ ভাষা তামিলৰ যোগেদি বেদ-উপনিষদত থকা বিচাৰ-ধাৰা নিজৰ বিচাৰেৰে জনসাধাৰণৰ মাজত প্ৰকট কৰি তোলে। কৰ্মকাণ্ডৰ সলনি ভগৱানক স্মৰণৰ দ্বাৰাহে ভগৱানৰ অনুগ্ৰহ প্ৰাপ্তিৰ সম্ভাৱনা দৃঢ় কৰা হ'ল। তামিল প্ৰদেশত আলোৱাৰ সকলে ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল। তামিল ভাষাত 'আলৱাৰ' শব্দটো বাৰজন বৈষ্ণৱ ভক্তক বুজাবলৈ ব্যৱহাৰ কৰা হয়। তেওঁলোকৰ উপৰি দাক্ষিণাত্যত শঙ্কৰাচাৰ্য আৰু ৰামানুজাচাৰ্যৰো আৱিৰ্ভাৱ ঘটে। তেওঁলোক দুগৰাকী হ'ল ভক্তিধৰ্মৰ ক্ৰমে অদ্বৈতবাদ আৰু বিশিষ্টাদ্বৈতবাদৰ প্ৰৱক্তা। এই ভক্তি আন্দোলনক কৰ্ণাটকত 'দাসকূট' নামেৰে জনা যায়। কৰ্ণাটকত এই আন্দোলনৰ নেতৃত্ব দিছিল শ্ৰীপাদৰায়, ব্যাসৰায়, পুৰন্দৰ দাস আদিয়ে। মহাৰাষ্ট্ৰত ভক্তি আন্দোলনৰ পুৰোধা আছিল সন্ত জ্ঞানেশ্বৰ। ইয়াক সৰল কৰি তুলিছিল একনাথ, তুকাৰাম, ৰামদাস, আদি বৈষ্ণৱ সাধকসকলে। নৱম শতিকাৰ ভক্তি আন্দোলন দক্ষিণ ভাৰতৰ পৰা আহি উত্তৰ ভাৰত পায়হি। উত্তৰ ভাৰতৰ ভক্তিধৰ্মৰ গুৰিধৰোঁতা হ'ল শ্ৰীৰামানন্দ। ৰামানুজৰ শিষ্য ৰামানন্দই গুৰুৰ পৰা ফালৰি কাটি আহি নিজে এটা বৈষ্ণৱ সম্প্ৰদায়ৰ জন্ম দিয়ে। ৰামানন্দই প্ৰথমতে সকলো জাতিৰ লোকক নিজৰ সম্প্ৰদায়ত শিষ্য হিচাবে স্থানদি বৈষ্ণৱধৰ্মক গণতান্ত্ৰিক কৰিতোলে। এওঁ মানুহ মাত্ৰকে ভক্তিৰ অধিকাৰী বুলি স্বীকাৰ কৰি ভক্তিধৰ্মৰ পৰা জাতিভেদ, বৰ্ণভেদ আদি আতৰাঁলে। ৰামানন্দ আছিল বিষ্ণুৰ অৱতাৰ ৰামচন্দ্ৰৰ উপাসক। এওঁৰেই ৰামভক্তিৰ দুৱাৰ সকলো জাতিৰ বাবে মুকলি কৰি দিলে। ৰামানন্দৰ দ্বাৰা প্ৰচাৰিত ৰামভক্তি পাছলৈ দুটা প্ৰধান ধাৰাত বিভক্ত হ'ল। এটা হ'ল নিৰ্গুণ ভক্তিধাৰা আৰু আনটো হ'ল সগুণ ভক্তিধাৰা। প্ৰথমটোৰ প্ৰচাৰক কবীৰদাস আৰু দ্বিতীয়টো প্ৰচাৰক হ'ল গোস্বামী তুলসীদাস। নিৰ্গুণ ভক্তিধাৰাৰ প্ৰচাৰক কবীৰ দাস পণ্ডিত নাছিল আৰু সাহিত্য ৰচনা কৰা তেওঁৰ উদ্দেশ্যও নাছিল। বাহ্যিক আড়ম্বৰৰ প্ৰতি বাধা নিষেধ কৰি কেৱল হৰিনামৰ মহিমাৰ ওপৰতহে গুৰুত্ব দিছিল। সগুণ শাখাৰ প্ৰৱৰ্ত্তক তুলসীদাসৰ মতে ভক্তৰ হিতৰ কাৰণে ভগৱানে নৰৰূপ ধাৰণ কৰে। গোস্বামীতুলসীদাসে *ৰামচৰিতমানস* প্ৰণয়ন কৰি ভগৱান বিষ্ণুৰ অৱতাৰ ৰামৰ মাহাত্ম্য কীৰ্ত্তন কৰি সমগ্ৰ উত্তৰভাৰততে ৰামভক্তিৰ জাগৰণ আনে। ভক্তি আন্দোলনৰ কালছোৱাত আন গৰাকী ধৰ্মপ্ৰচাৰক গুৰুনানকে শিখধৰ্ম প্ৰচাৰ কৰে।

উত্তৰ ভাৰতত বিভিন্ন ভক্ত কবিৰ হাতত ভক্তিধৰ্মই বিস্তাৰ লাভ কৰি শেষত পূৰ্বভাৰত পায়হি। বঙ্গদেশত আনুমানিক ১৪৮৫ খৃঃত জন্মগ্ৰহণ কৰা শ্ৰীচৈতন্যদেৱে ৰাধা-কৃষ্ণৰ যুগল উপাসনা পদ্ধতি প্ৰৱৰ্ত্তন কৰি ভক্তিধৰ্ম প্ৰচাৰ কৰে। অসমত মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱে খ্ৰীষ্টাব্দত ভক্তি আন্দোলনৰ গুৰিধৰি অদ্বৈতবাদাশ্ৰয়ী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ মূল প্ৰতিপাদ্য বিষয় হ'ল— 'একদেৱ'। এই 'একদেৱ' হ'ল বিষ্ণু বা কৃষ্ণ। শ্ৰৱণ-কীৰ্ত্তনৰ দ্বাৰা ভগৱানক লাভ কৰিব পৰা একমাত্ৰ উপায়। শঙ্কৰদেৱৰ লগে লগে অসমত বৈষ্ণৱ ধৰ্মপ্ৰচাৰত আগ-ভাগ লয় তেওঁৰেই শিষ্য তথা অনুগত সেৱক মহাপুৰুষ মাধৱদেৱে। অসমত ভক্তি আন্দোলনৰ ক্ষেত্ৰত গুৰু, দেৱ, নাম, ভকত— এই চাৰিটা প্ৰধান বৈশিষ্ট্য সংযোজিত কৰে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে, দাক্ষিণাত্যত আলৱাৰ সকলে ৰোপণ কৰা ভাৰতীয় ভক্তি আন্দোলনৰ বীজ কালক্ৰমত অঙ্কুৰিত হৈ উত্তৰ ভাৰত, পূৰ্ব ভাৰত আৰু অসমতো বিস্তাৰ লাভ কৰিবলৈ সক্ষম হয়।

**ভক্তি আন্দোলনৰ পটভূমি ঃ** ভক্তি আন্দোলনৰ সূত্ৰপাত হৈছিল দক্ষিণ ভাৰত বা তামিল প্ৰদেশত। কিন্তু কি কাৰণত দাক্ষিণাত্যত এই আন্দোলনৰ সূচনা হৈছিল সেইকথা বিচাৰ কৰিবলগীয়া। কিয়নো, যি কোনো একোটা পৰিৱৰ্ত্তন বা নতুনত্বৰ আৰঁত কিছুমান কাৰণ নিহিত থাকে। ভক্তি আন্দোলনৰ সৃষ্টিৰ মূলতেও আছিল কিছুমান সামাজিক তথা ধৰ্মীয় পৰিস্থিতিৰ ক্ৰিয়া প্ৰতিক্ৰিয়া। তামিল প্ৰদেশৰ খৃষ্টীয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ এইকালছোৱাক ভক্তিকাল আখ্যা দিয়া হয়। কিন্তু ষষ্ঠ শতিকাক আগৰ সময়ছোৱাক কোৱা হয় ভক্তিপূৰ্বকাল বা বৌদ্ধ-জৈনকাল এই বৌদ্ধ আৰু জৈন ধৰ্মৰ আৰঁতে ৰচিত হৈছিল ভক্তি

বা বৈষ্ণৱ আন্দোলনৰ পটভূমি।

ভক্তিপূৰ্বকালৰ সাহিত্যিক সকলে প্ৰথম অৱস্থাত যদিও কেৱল সাহিত্য সৃষ্টিতে মনোনিবেশ কৰিছিল, পিছলৈ ধৰ্মপ্ৰচাৰৰ সুৰ স্পষ্ট হৈ উঠিল আৰু ভক্তিকালৰ আৰম্ভণিৰ সময়ত শৈৱ আৰু বৈষ্ণৱ ধৰ্মৰ বিৰোধিতা কৰাহে তেওঁলোকৰ উদ্দেশ্য হৈ পৰিল। সেই সময়ত সাহিত্যৰ উপৰিও জনসাধাৰণৰ ওপৰতো বৌদ্ধ আৰু জৈন ধৰ্মৰ প্ৰভাৱ পৰিছিল। লাহে লাহে এনে এটা পৰ্যায় পালে যে বৌদ্ধ ধৰ্মাৱলম্বী সকলে জনসাধাৰণক বৌদ্ধধৰ্মত দীক্ষিত কৰিবলৈ যত্ন কৰাৰ লগতে পৰধৰ্মৰ নিন্দাও আৰম্ভ হ'ল। ফলত তেওঁলোকৰ মাজত দুৰাচাৰে ঠাই ল'বলৈ ধৰিলে। বৌদ্ধ ধৰ্মত ব্ৰহ্মচৰ্য আৰু ভিক্ষুজীৱনৰ ওপৰত গুৰুত্ব আৰোপিত হৈছিল। কিন্তু তাৰ প্ৰতি জনাসাধাৰণৰ আগ্ৰহ নাছিল। তামিল জনসাধাৰণে পৰম্পৰা অনুযায়ী গাৰ্হস্থ্য জীৱনৰ উচ্চ আদৰ্শকহে মানি লোৱাৰ বাবে বৌদ্ধভিক্ষু জীৱন পৰম্পৰা বিৰুদ্ধ যেন অনুভৱ কৰিছিল। কাৰণ বৌদ্ধধৰ্মত ঈশ্বৰৰ স্থান নাছিল।

জৈন ধৰ্মৰ দুটা ভাগ— শ্বেতাম্বৰ আৰু দিগম্বৰ। শ্বেতাম্বৰসকলে একবস্ত্ৰ পৰিধান কৰিছিল, তাৰ বিপৰীতে দিগম্বৰসকলে বস্ত্ৰ পৰিধান নকৰিছিল। এনে পৰিবেশৰ লগত জনসাধাৰণ খাপ নোখোৱাৰ বাবে জৈন ধৰ্ম গ্ৰহণ কৰা নাছিল। জৈন ধৰ্ম গ্ৰহণ নকৰা সকলক বিশেষকৈ বৈষ্ণৱ সন্তসকলক নানা কষ্ট দিবলৈ আৰম্ভ কৰে। আনকি ধৰ্ম পৰিবৰ্ত্তনৰ বাবে হত্যা পৰ্যন্ত উপায় হিচাবে গ্ৰহণ কৰে। অহিংসা, কৰুণা, দয়া আদি জৈনধৰ্মৰ যিবোৰ মূলতত্ত্ব আছিল তাৰ বিৰুদ্ধাচৰণ কৰিছিল।

সেই সময়তে শক্তি উপাসক কিছুমানৰো উদ্ভৱ হৈছিল। তেওঁলোকে ঈশ্বৰপ্ৰাপ্তি প্ৰয়াসৰ বাবে যাগ-যজ্ঞ, পূজা-পাতল, বলি-বিধান আদি কৰিছিল। আনকি নৰবলি পৰ্যন্ত দিছিল, ফলত জনসাধাৰণৰ মনত ধৰ্মৰ প্ৰতি শ্ৰদ্ধা-ভক্তিৰ সলনি ভয় আৰু ঘৃণাভাৱে দেখা দিছিল।

আনহাতে, সেই সময়ত সমাজত জাতি-ভেদে দেখা দিছিল। ব্ৰাহ্মণ সম্প্ৰদায়ৰ লগত সৰ্বসাধাৰণৰ যোগসূত্ৰ প্ৰায় নাছিল বুলিয়েই ক'ব পাৰি। বৈদিক ধৰ্মাৱলম্বী ব্ৰাহ্মণসকলে বেদ-উপনিষদ আদিৰ অধ্যয়ন আৰু যাগ-যজ্ঞাদি অনুষ্ঠানতে ব্যস্ত আছিল, তেনে অনুষ্ঠান সমূহত সৰ্বসাধাৰণে অংশগ্ৰহণ কৰিব নোৱাৰিছিল। তাৰফলত উচ্চ-নীচ মনোভাৱৰ বাবে মানুহ ক্ৰমশঃ অসন্তুষ্ট হৈ উঠিছিল।

এনে এক সামাজিক পৰিবেশ তথা ধৰ্মীয় পৰিবেশে মানুহৰ মনত এটা অস্বস্তিকৰ ভাৱৰ সৃষ্টি হৈছিল আৰু তাৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় বিচাৰিছিল, য'ত সকলোৱে সমানভাৱে আত্ম-শান্তি পাব পাৰে, য'ত কঠোৰ নিয়মসমূহ সৰলীকৃত হৈ মুক্তিৰ সাধন সহজ তথা সৰ্বসাধাৰণৰ গ্ৰহণযোগ্য হ'ব পাৰে। এই আৱশ্যকতা পূৰণাৰ্থে বৈষ্ণৱ ভক্তকবি আলৱাৰ আৰু শৈৱ ভক্তকবি নায়নমাৰসকলৰ আৱিৰ্ভাৱ হ'ল আৰু ভক্তি আন্দোলনৰ সূত্ৰপাত হ'ল। তেওঁলোকে ভগৱানৰ সত্তা, উদাৰতা, দয়া, কৰুণা আদিক প্ৰচাৰ কৰিবলৈ ল'লে, ফলত কমসময়ৰ ভিতৰতে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হ'ল আৰু তামিল প্ৰদেশৰ জনসাধাৰণে এনে ধৰ্মগ্ৰহণ কৰি ভক্তিৰ প্ৰবাহ বোৱাবলৈ ধৰিলে।

**ভক্তি আন্দোলনৰ বৈশিষ্ট্য ঃ**

সমগ্ৰ ভাৰতবৰ্ষ জুৰি সৃষ্টি হোৱা নৱবৈষ্ণৱ আন্দোলনৰ অভিব্যক্তিলৈ লক্ষ্য কৰিলে কিছুমান সাধাৰণ বৈশিষ্ট্য দেখা যায়। সেই বৈশিষ্ট্যসমূহ হৈছে—

(ক) সকলো নৱবৈষ্ণৱসম্প্ৰদায়েই একেশ্বৰবাদী। বিষ্ণু বা নাৰায়ণ উপাস্য দেৱতা। বিষ্ণু বা নাৰায়ণকে ব্ৰহ্মৰূপে, পৰমাত্মাৰূপে, ভগৱানৰূপে আৰু সৃষ্টিস্থিতি প্ৰলয়ৰ নিয়ন্তাৰূপে বৰ্ণনা কৰিছে। বিষ্ণুৰ বিভিন্ন অভিব্যক্তি বা অৱতাৰক উপাস্য স্বৰূপে দুটা সম্প্ৰদায়ে স্বীকাৰ কৰিছে। বিষ্ণুৰ বিভিন্ন অভিব্যক্তি বা অৱতাৰক উপাসনা কৰিছিল যদিও বেছিভাগ সম্প্ৰদায়েই 'কৃষ্ণস্তু ভগৱান স্বয়ম্' বুলি ভাবি কৃষ্ণভক্তি প্ৰচাৰ কৰিছিল। ৰামানুজী, নিম্বাৰ্কী আৰু চৈতন্য সম্প্ৰদায়ত লক্ষ্মী বা ৰাধাৰ বিশেষ স্থান আছে যদিও তেওঁক কৃষ্ণৰ বা বিষ্ণুৰ মায়া অৰ্থাৎ ঐশ্বৰিক শক্তিৰ প্ৰতীকৰূপেহে দৃষ্টি দিছে।

(খ) যাগ-যজ্ঞ ব্ৰত উপাসনাতকৈ ভক্তিৰ দ্বাৰা ভগৱানক সহজে উপলব্ধি হয় এই কথাত সকলো সম্প্ৰদায়েই গুৰুত্ব আৰোপ কৰিছে। নৱধা ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্ত্তনেই শ্ৰেষ্ঠ বুলি সকলো সম্প্ৰদায়ে মত প্ৰকাশ কৰিছে।

(গ) ভক্তিৰ ক্ষেত্ৰত পাত্ৰাপাত্ৰ নাই। ব্ৰাহ্মণৰ পৰা চণ্ডাললৈকে সকলোৱে ভক্তিধৰ্মৰ ওপৰত অধিকাৰ আছে। এই মতৰ

ওপৰত আস্থা ৰাখিয়েই ধৰ্মপ্ৰচাৰক সকলে সকলো শ্ৰেণীৰ মাজত ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। অহিংসা, প্ৰেম, দয়া, সাম্যভাৱ আদি মানৱীয় প্ৰমূল্য আৰু কোমল প্ৰবৃত্তিবোৰৰ কৰ্ষণ কৰিবলৈকো অনুপ্ৰেৰণাদি সুস্থ নৈতিক জীৱনৰ আদৰ্শ দাঙি ধৰিছিল।

(ঘ) নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ বেছিভাগ ক্ষেত্ৰতে প্ৰান্তীয় ভাষাক প্ৰচাৰমাধ্যম ৰূপে লোৱাত সংস্কৃত ৰচিত পুৰাণ আদি ধৰ্মশাস্ত্ৰসমূহ প্ৰান্তীয় ভাষালৈ মৌলিক সৃষ্টি কৰি ভাষাৰ শ্ৰীবৃদ্ধি সাধন কৰে। ভগৱানৰ নাম-কীৰ্ত্তনৰ বাবে সংস্কৃত ভাষাৰ প্ৰয়োজন নাই, সেইবাবে সৰ্বসাধাৰণে সহজে বুজিপোৱাকৈ প্ৰান্তীয় ভাষাত ৰচনা কৰিছিল।

(ঙ) সৎসঙ্গ ভক্তিধৰ্মৰ প্ৰধান বৈশিষ্ট্য। ভক্তি দুটাভাগত বিভক্ত। সগুণ ভক্তি আৰু নিৰ্গুণ ভক্তি। সগুণ সাকাৰ আৰু উপাধি বিশিষ্ট্য। আনহাতে নিৰ্গুণ নিৰাকাৰ আৰু উপাধিৰহিত।

অসমৰ ভক্তি আন্দোলনৰ ক্ষেত্ৰত উক্ত লক্ষণ বা বৈশিষ্ট্য সমূহৰ উপৰিও গুৰু, দেৱ, নাম, ভকত— এই চাৰিটা তত্ত্ব অতিৰিক্ত ভাবে সংযোজিত হৈছে। অসমৰ বাহিৰে দুই এখন প্ৰদেশত ৰাধা-কৃষ্ণক যুগল বন্দনা কৰা হয়। কিন্তু অসমত আৰাধ্যদেৱতা কেৱল ভগৱান কৃষ্ণহে তেওঁৰেই নিৰ্গুণ গুণ নিয়ন্তা। অসমত ভক্তিধৰ্মত মূৰ্ত্তিপূজাৰ স্থান নাই।

**ভক্তি আন্দোলনৰ ফলত সৃষ্টি হোৱা সাহিত্য ঃ**

সমগ্ৰ ভাৰতবৰ্ষজুৰি বিস্তাৰ লাভ কৰা ভক্তি আন্দোলনৰ ভক্ত সকলে ভক্তিধৰ্ম প্ৰচাৰৰ লগে লগে সাহিত্য সৃষ্টিতো মনোনিবেশ কৰিছিল। ধৰ্মপ্ৰচাৰক সকলে ভক্তিধৰ্মপ্ৰচাৰৰ বাবে সাহিত্যক মাধ্যমৰূপে ব্যৱহাৰ কৰিছিল। সাহিত্যক মাধ্যমৰূপে লোৱাৰ বাবেই শাক্ত বা শৈৱ সাহিত্যৰ তুলনাত ভক্তি বা বৈষ্ণৱ সাহিত্যৰ পৰিমাণ বেছি।

আধুনিক ভাৰতীয় সাহিত্যসমূহৰ ভিতৰত তামিল সাহিত্যই প্ৰাচীন আৰু এই ভাষাতেই প্ৰথমে ভক্তি সাহিত্য ৰচিত হৈছিল। ভক্ত কবি আলৱাৰ সকলৰ ভিতৰত মুঠতে বাৰজন আলৱাৰ আছিল, তেওঁলোক সংস্কৃত আৰু তামিল দুয়োভাষাতে বিদ্বান আছিল। সংস্কৃতত ৰচিত বেদ, উপনিষদ আৰু গীতাৰ ভাৱধাৰাক গ্ৰহণ কৰি জনসাধাৰণৰ ভাষা তামিলত প্ৰকাশ কৰিছিল।

*'নালায়িৰদিব্যপ্ৰৱন্ধম্'* ভক্তি আন্দোলনৰ আদি গ্ৰন্থ। ই আলৱাৰ সকলৰ গীতৰ সংগ্ৰহ। এই গীতসমূহ কেইবা শতিকা জুৰি মৌখিকভাবে চলি আছিল। নৱম শতিকাৰ শেষত নাথমুনিয়ে বহু পৰিশ্ৰম কৰি পদসমূহ একেলগ কৰি নালায়িৰদিব্যপ্ৰৱন্ধম্ নাম দিয়ে। এই সংগ্ৰহত মুঠ চাৰি হেজাৰ পদ আছে। আলৱাৰ সকলৰ ভিতৰত প্ৰথম কবি *"পোয়গৈ আলৱাৰ"*। তেওঁ ৰচনা কৰা এশ পদ *মৃদুলতিৰুৱন্তাদি* নামে জনাজাত। পদবোৰ ভক্তি উপদেশমূলক। দ্বিতীয় গৰাকী হৈছে *ভূতত্তালৱাৰ*। তেওঁ ৰচনা কৰা এশ পদ *'তিৰুৱন্তাদি'* নামে খ্যাত। ভগৱানৰ গুণ, ভক্তিৰ মহিমা, শৰণাগতি আদি এওঁৰ বৰ্ণনাৰ বিষয়। তেওঁ অনেক বৈষ্ণৱস্তুতিও ৰচনা কৰিছে। *পেয়ালৱাৰে* ৰচনা কৰা এশ পদ *'মূণ্ড্ৰাম তিৰুৱন্তাদি'* নামেৰে প্ৰৱন্ধমত সংগৃহীত হৈছে। উল্লেখযোগ্য যে প্ৰথম তিনিগৰাকী আলৱাৰক একেলগে *'মুনিত্ৰয়'* বুলিও কোৱা হয় আৰু প্ৰত্যেকেই প্ৰৱন্ধমত এশপদ ৰচনা কৰিছে। তিৰুমলিসঈ আলৱাৰৰ নানমুখন *তিৰুৱন্তাদি* আৰু *'তিৰুচন্দবিৰুত্তম্'* নামৰ দুখন ৰচনা *'নালায়িৰদিব্যপ্ৰৱন্ধম্'* সংগৃহীত হৈছে। আলৱাৰ সমূহৰ ভিতৰত শীৰ্ষস্থানীয় হৈছে নম্মলৱাৰ। প্ৰৱন্ধমত এওঁৰ চাৰিখন গ্ৰন্থ সন্নিৱিষ্ট হৈছে— *তিৰুবিৰুত্তম, তিৰুবাচিৰিয়ম, পেৰিয়তিৰুৱন্তাদি* আৰু *তিৰুৱায়মোলী*। মধুৰ কবি আলৱাৰৰ একমাত্ৰ ৰচনা *'কন্নিমুল চিৰুতম্বু'*। কুলশেখৰ আলৱাৰৰ ৰচনা *'পেৰুমাল তিৰুমোলী'*য়ে প্ৰৱন্ধমত ঠাই পাইছে। পেৰিয়ালৱাৰৰ *'তিৰুপল্লাণ্ডু'* আৰু *পেৰিয়ালৱাৰতিৰুমোলী* নামে দুটা সংগ্ৰহ প্ৰৱন্ধমত সংযোজিত হৈছে। আলৱাৰ সকলৰ ভিতৰত একমাত্ৰ ভক্ত কবিয়িত্ৰী হৈছে আণ্ডাল। *'তিৰুপ্পাবৈ'* আৰু *'নাচ্চিয়াৰ তিৰুমোলী'* এওঁৰ ৰচনা। তোণ্ডৰভীপোড়ী আলৱাৰ ৰচনা হ'ল *'তিৰুমালৈ'* আৰু 'তিৰুপল্লী এলচ্চী'। আনহাতে *'অমলগাদিপিৰান'* তিৰুপ্পান আলৱাৰৰ একমাত্ৰ ৰচনা। আলৱাৰ সকলৰ ভিতৰত শেষৰজন আলৱাৰ হ'ল তিৰুমঙ্গৈ। ৰচনাৰ পিনৰ পৰা চালে 'নালায়িৰদিব্যপ্ৰৱন্ধম্'ত সংৰক্ষিত পদৰ ভিতৰত আটাইতকৈ অধিক সংখ্যক পদ এওঁ ৰচনা কৰা। *'পেৰিয় তিৰুমোলী', তিৰুক্কুৰুন্তাণ্ডকম, তিৰুনো-ভুন্তাণ্ডকম্* আদি এওঁৰ ৰচনা।

ভাৰতীয় সাহিত্য সংস্কৃতিৰ ইতিহাসত শ্ৰীশঙ্কৰাচাৰ্যৰ অৱতাৰ এটি যুগ পৰিবৰ্তনকাৰী ঘটনা। তেওঁ *ব্ৰহ্মসূত্ৰ, উপনিষদ* আৰু *গীতাৰ* নতুনভাষ্য ৰচনা কৰে। এই তিনিখন গ্ৰন্থক *প্ৰস্থানত্ৰয়ী* আখ্যা দিয়া হৈছে। আনহাতে ৰামানুজাচাৰ্যই নিজৰ ভক্তি বিষয়ক সিদ্ধান্ত স্পষ্টীকৰণৰ বাবে সংস্কৃতত গ্ৰন্থ ৰচনা আৰু ভাষ্য প্ৰণয়ণ

কৰে। এওঁ ৰচনা কৰা ভাষ্যখনৰ নাম *'শ্ৰীভাষ্য'*।

উত্তৰভাৰতত ৰামানন্দই সংস্কৃতৰ উপৰি হিন্দী ভাষাত কবিতা ৰচনা কৰি ধৰ্মীয় উপদেশ দি হিন্দীৰ 'আদি প্ৰচাৰক' স্থান অধিকাৰ কৰে। কবীৰ দাসে কেৱল ধৰ্মপ্ৰচাৰকৰ স্থান অধিকাৰ কৰে। তেওঁ মুখেৰেই বহুতো ভজন ৰচনা কৰিছিল। গুৰুনানকে অসাধাৰণ প্ৰতিভাৰে সৃষ্টিতত্ত্বৰ গূঢ়াৰ্থ উপলব্ধি কৰি সমসাময়িক সমাজখনৰ দুৰ্যোগ আতৰাই সাম্য আৰু মৈত্ৰীৰ ওপৰত প্ৰতিষ্ঠিত সমাজ এখনৰ কথাকে গীতপদৰ মাজেদি কৈ গৈছে। তেওঁৰ ৰচনা সমূহ *'গুৰুগ্ৰন্থ চাহেব'*ত সংগৃহীত হৈছে।

তুলসীদাসে হিন্দী ভাষাত *ৰামায়ণ*ৰ কাহিনীক অৱলম্বন কৰি *'ৰামচৰিতমানস'* ৰচনা কৰি বিপুলখ্যাতি অৰ্জন কৰিছিল, তাৰোপৰি *'বিনয়পত্ৰিকা'* নামৰ গ্ৰন্থ ৰচনা কৰে। এইখন গ্ৰন্থ পণ্ডিত, গায়ক আৰু সাধক সকলৰ মাজত অধিক প্ৰচলিত।

স্বামী ৰামানন্দৰ দ্বাৰা প্ৰভাৱিত হোৱাত যিদৰে ভক্ত কবিসকল হিন্দীভাষাত ৰাম উপাসনাৰ আলমত বিপুল সাহিত্য ভাণ্ডাৰ গঢ়ি তুলিলে, সেইদৰে শ্ৰীবল্লভাচাৰ্যয়ো কেৰাখনো পুথি ৰচনা কৰে। তাৰভিতৰত ব্ৰহ্মসূত্ৰৰ *'অনুভাষ্য'* আৰু ভাগৱতৰ *'সুবোধিনী'* ব্যাখ্যা উল্লেখযোগ্য।

ব্ৰজভাষাত ৰচনা কৰা সুৰদাসৰ গীত পদৰ সংগ্ৰহ 'সুৰ সাগৰ' ভক্তি সাহিত্যৰ এক অমূল্য সম্পদ। 'সুৰ সাগৰ' শ্ৰীমদ্ভাগৱতৰ আধাৰত ৰচিত। সুৰ সাগৰ আবেদনশীল, সৰ্বকালীন আৰু চিৰন্তন। কৃষ্ণভক্ত কবিসকলৰ ভিতৰত ভক্তকবি মীৰাবাঈৰ নাম বিশেষভাবে উল্লেখযোগ্য। মীৰাবাঈ গুজৰাটী সাহিত্যৰ এগৰাকী উল্লেখযোগ্য কবি হিচাবেও খ্যাতি অধিক। মীৰাবাঈ ধৰ্মপ্ৰচাৰিকা নাছিল, তেওঁ কৃষ্ণপ্ৰেমত গীতৰচনা কৰিছিল। ভাৰতীয় ভক্তি সাহিত্যৰ মীৰা ভজনাবোৰে আজিও বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

পূবভাৰতত চৈতন্যদেৱে বৈষ্ণৱধৰ্ম প্ৰচাৰৰ লগে লগে কলাৰ দিশত সাহিত্য, সঙ্গীত আৰু নাটকতো নৱযুগৰ সূচনা হ'ল। চৈতন্যদেৱৰ বৈষ্ণৱ ধৰ্ম আৰু আন্দোলনে মধ্যযুগীয় বঙলাসাহিত্যৰ বিশেষকৈ গীতিকবিতা, পদাৱলী আৰু জীৱনী সাহিত্যক চহকী কৰি তুলিলে। চৈতন্য দেৱকো এগৰাকী পদাকাৰৰূপে অভিহিত কৰা হয়। সংস্কৃতত ৰচনা কৰা *'শিক্ষাষ্টক'* তেওঁৰ অন্যতম কীৰ্ত্তি। চৈতন্যদেৱৰ শিষ্যসকলৰ হাতত ভক্তি আন্দোলনে বিশেষভাবে প্ৰসাৰ লাভ কৰে। এই প্ৰসঙ্গত চৈতন্যদেৱৰ 'ছজন' শিষ্যৰ নাম বিশেষভাবে উল্লেখযোগ্য। তেওঁলোক 'ষট্‌গোস্বামী' নামেৰে পৰিচিত। তেওঁলোকে বৃন্দাবনক সাধনাৰকেন্দ্ৰৰূপে স্থাপন কৰিলে আৰু চৈতন্য সম্প্ৰদায়ৰ ভক্তিধাৰাক শাস্ত্ৰীয় ৰূপদিবলৈ কেৰাখনো মহত্বপূৰ্ণ গ্ৰন্থ ৰচনা কৰে। সেইবোৰৰ ভিতৰত ৰূপগোস্বামীয়ে ৰচনা কৰা *'ভক্তিৰসামৃতসিন্ধু', 'উজ্জ্বলনীলমণি', 'লঘুভাগৱতামৃত'* প্ৰধান। ষট্‌গোস্বামীৰ এজনৰ বাহিৰে বাকী পাঁচজন বৈষ্ণৱধৰ্মৰ দিশক লৈ গ্ৰন্থ ৰচনা কৰে, কিন্তু ৰচনাৰ মাধ্যমৰূপে তেওঁলোকে সংস্কৃত ভাষাহে ব্যৱহাৰ কৰিছিল।

পঞ্চদশ শতিকাত অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাৰণে মহাপুৰুষ শঙ্কৰদেৱে আৰু তেওঁৰ অনুগামী সকলে অশেষ সাধনাৰ দ্বাৰা বৈষ্ণৱ সাহিত্যৰ এক বৃহৎ কলেৱৰ গঢ়ি তোলে। শঙ্কৰদেৱৰ উপৰিও মাধৱদেৱ, অনন্ত কন্দলি,ৰাম-সৰস্বতী, ৰামচৰণ ঠাকুৰ, দৈত্যাৰী ঠাকুৰ, বৈকুণ্ঠ নাথ ভট্টাচাৰ্য আদি কবিসকলে এই বিশাল সাহিত্য ভাণ্ডাৰ গঢ়াত অৰিহনা যোগালে। এওঁলোকে নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাৰণে সংস্কৃত শাস্ত্ৰসমূহ বেদ-উপনিষদৰ সাৰ, *ভাগৱত পুৰাণ, শ্ৰীমদ্ভগৱদ্গীতা, হৰিবংশ, বিষ্ণুপুৰাণ* আদিৰ পৰা বিষয়বস্তু বা কাহিনী সংগ্ৰহ কৰি সাহিত্য সৃষ্টি কৰে।

সাহিত্যৰ ৰূপ অনুসৰি সাহিত্যক এনেদৰে ভাগ কৰা হয়—

**কাব্য ঃ** কাব্য সাহিত্যৰ ভিতৰত শঙ্কৰদেৱৰ *হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণীহৰণ, বলিছলন, অমৃতমন্থন, অজামিল উপাখ্যান, কুৰুক্ষেত্ৰ*, মাধৱদেৱৰ *ৰামায়ণ*ৰ *আদিকাব্য, ৰাজসূয় কাব্য*, অনন্ত কন্দলিৰ *বৃত্ৰাসুৰবধ, মহীৰাৱণ বধ, কুমৰহৰণ* আৰু ৰামসৰস্বতীৰ *বধকাব্যসমূহ* উল্লেখযোগ্য।

**ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ ঃ** এই শ্ৰেণীৰ কাব্যৰ ভিতৰত শঙ্কৰদেৱৰ *ভক্তিপ্ৰদীপ, ভক্তিৰত্নাকৰ, নিমি-নৱ-সিদ্ধ সংবাদ*, মাধৱদেৱৰ *'নাম-ঘোষা', 'জন্মৰহস্য'*, ভক্তি-*ৰত্নাৱলী, নাম-মালিকা*, ভট্টদেৱৰ *ভক্তিবিবেক, কথাগীতা, কথাভাগৱত, কথা ৰত্নাৱলী, শৰণ মালিকা, ভক্তিসাৰ* আদি উল্লেখযোগ্য।

**অঙ্কীয়া নাট ঃ** অঙ্কীয়া নাটো ভক্তি আন্দোলনৰ ফল। শঙ্কৰদেৱেই হৈছে অসমীয়া নাট্য সাহিত্যৰ জনক। তেওঁৰ ৰচনা কৰা নাটকৰ সংখ্যা ছখন। *পত্নীপ্ৰসাদ, কালীয়দমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাত-হৰণ, ৰামবিজয়*।

মাধৱদেৱৰ অঙ্কীয়া নাট এখন *অৰ্জুনভঞ্জন*, বাকী ঝুমুৰা কেইখন হ'ল *চোৰধৰা, পিম্পৰা গুচোৱা, ভূমি লেটোৱা, ভোজনবেহাৰ*।

অনন্ত কন্দলিৰ *'সীতাৰ পাতাল প্ৰবেশ'* নাট এই প্ৰসঙ্গত উল্লেখযোগ্য। ইয়াৰোপৰি শঙ্কৰোত্তৰ যুগৰ গোপাল আতা, ৰামচৰণ ঠাকুৰ, দৈত্যাৰী ঠাকুৰ আদি কবিসকলেও ভালে সংখ্যক অঙ্কীয়া নাট ৰচনা কৰি অসমীয়া নাট্য সাহিত্যৰ ভড়াল চহকী কৰি তুলিছে।

**গীত ঃ** গীতৰ ভিতৰত বৰগীত আৰু ভটিমা উল্লেখযোগ্য। বৰ্ত্তমান প্ৰচলিত বৰগীতসমূহৰ ডেৰকুৰি মান শঙ্কৰদেৱৰ আৰু বাকী ন-কুৰিমান গীত মাধৱদেৱৰ দ্বাৰা ৰচিত।

ভটিমাসমূহ প্ৰশস্তি বা গুণ গৰিমা প্ৰকাশক গীত। শঙ্কৰদেৱে তিনিপ্ৰকাৰৰ ভটিমা নাট ভটিমা, দেৱ ভটিমা আৰু ৰাজ ভটিমা প্ৰৱৰ্ত্তন কৰে। তাৰ লগত মাধৱদেৱে গুৰুভটিমা সংযোগ কৰি চাৰি শ্ৰেণীৰ ভটিমা পৰম্পৰাৰ সৃষ্টি কৰে।

**নাম-প্ৰসঙ্গ ঃ** নাম-প্ৰসঙ্গ পুথিৰ ভিতৰত শঙ্কৰদেৱৰ *কীৰ্ত্তন* আৰু *গুণমালা* উল্লেখযোগ্য।

**চৰিত সাহিত্য ঃ** চৰিতসাহিত্যত বৈষ্ণৱ আন্দোলনৰ ফলতেই সৃষ্টি হয়। মাধৱদেৱ চৰিত তোলা প্ৰথাৰ প্ৰৱৰ্ত্তক। মাধৱদেৱৰ পিছতে সন্ত-মহন্ত সকলে জীৱনী আকাৰে চৰিতপুথি ৰচনা কৰিবলৈ ধৰে। চৰিত পুথিৰ ৰচকসকলৰ ভিতৰত ৰামচৰণ ঠাকুৰ, ভূষণ দ্বিজ, দৈত্যাৰী ঠাকুৰ, ৰামানন্দ দ্বিজ, ৰামৰায় আদিৰ নাম প্ৰণিধানযোগ্য।

উক্ত আলোচনাৰ যোগেদি ক'ব পাৰি যে মধ্যমযুগত ভাৰতৰ প্ৰায়বোৰ প্ৰান্তীয় ভাষাতে ভক্তি আন্দোলনৰ ফলত একশ্ৰেণীৰ সাহিত্যই গা-কৰি উঠিছিল। ভক্তি আন্দোলনক কেন্দ্ৰ কৰি ৰচিত হোৱা এই সাহিত্য ৰাজি আজিও প্ৰতিখন প্ৰদেশতে জনগণৰ আদৰৰ বস্তু হৈ আছে।

**অসমীয়া ভক্তি সাহিত্যৰ শ্ৰেণী বিভাজন ঃ**

মধ্যযুগত মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মক কেন্দ্ৰ কৰি অসমত এক শ্ৰেণীৰ সাহিত্যৰ সৃষ্টি হৈছিল। এই শ্ৰেণীৰ সাহিত্যকে কোৱা হয় ভক্তি সাহিত্য বা বৈষ্ণৱ সাহিত্য। শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আৰু মানৱীয় লীলাৰ ওপৰত ভিত্তি কৰি এই শ্ৰেণীৰ কাব্য ৰচিত হৈছিল। এই যুগৰ সাহিত্যৰ মধ্যমণি স্বৰূপ আছিল মহাপুৰুষ শঙ্কৰদেৱ। শঙ্কৰদেৱৰ পিছতে মাধৱদেৱ, ৰাম সৰস্বতী, অনন্ত কন্দলি আদিয়ে *ভাগৱত, হৰিবংশ, মাৰ্কণ্ডেয়পুৰাণ, পদ্মপুৰাণ, বৃহন্নাৰদীয় পুৰাণ, শ্ৰীমদ্ভগৱদ্‌গীতা* আদিৰ পৰা উপাদেয় সমল সংযোগ কৰি কাব্য ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰে। এই সাহিত্যখিনিক উপস্থাপন ৰীতিৰ ওপৰত ভিত্তি কৰি মূলতঃ তিনিটাভাগত বিভক্ত কৰিব পাৰি—

(ক) আখ্যানমূলক বা কাহিনীমূলক

(খ) তত্ত্বমূলক বা উপদেশমূলক

(গ) আবেগিকমূলক ভক্তি সাহিত্য

তলত প্ৰত্যেকবিধ সাহিত্যৰে লক্ষণসমূহ আলোচনা কৰি প্ৰতিটো শ্ৰেণীৰ দুই-এখন পুথিৰ চমু আভাস দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল।


**(ক) আখ্যানমূলক বা কাহিনীমূলক ভক্তি সাহিত্য ঃ** এই শ্ৰেণীৰ কাব্যৰ প্ৰধান বিশেষত্ব হ'ল প্ৰতিটো অধ্যায় বা খণ্ডতে একোটা স্বতন্ত্ৰ কাহিনী থাকে। অৰ্থাৎ এই শ্ৰেণীৰ কাব্যসমূহ আখ্যানমূলক প্ৰতিটো আখ্যানৰ অন্তৰালত ভক্তি ধৰ্মৰ একো-একোটা দৰ্শন বা তত্ত্ব ৰূপায়িত হয়। ভক্তিধৰ্মৰ দাৰ্শনিক তত্ত্বপূৰ্ণ কথাবোৰ সৰ্বসাধাৰণ মানুহৰ বোধগম্য নহয় বা কাহিনী বা আখ্যানৰ যোগেদি সেই তত্ত্বসমূহ সহজ সৰল ভাবে এই শ্ৰেণীৰ কাব্যৰ মাজেৰে বুজাই দিয়া হয়। লগতে ধৰ্মীয় দৃষ্টি ভঙ্গী অনুসৰি প্ৰতিটো কাহিনীৰ সমাপ্তিত উপাস্য দেৱতাজনৰ শ্ৰেষ্ঠত্ব তথা মাহাত্ম্য প্ৰকাশ কৰা হয়।

ওপৰোক্ত লক্ষণযুক্ত কাব্যসমূহৰ ভিতৰত মহাপুৰুষ শঙ্কৰদেৱৰ *'কীৰ্ত্তন-ঘোষা'* আৰু *'আদিদশম'* আখ্যানমূলক ভক্তি সাহিত্যৰ প্ৰকৃত নিদৰ্শন। *কীৰ্ত্তন-ঘোষাত* মুঠতে সাতাইশটা স্বতন্ত্ৰ কাহিনী আছে। এই কাহিনীসমূহৰ ভিতৰত *অজামিল উপাখ্যান, প্ৰহ্লাদচৰিত, গজেন্দ্ৰ উপাখ্যান, হৰমোহন, বলিচলন, ৰাস-ক্ৰীড়া, কংসবধ, গোপী-উদ্ধৱ সংবাদ, জৰাসন্ধ বধ, কালয়ৱন বধ, স্যমন্তহৰণ, পাষণ্ডমৰ্দন, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ* আদি উল্লেখযোগ্য। এই কাহিনীসমূহৰ যোগেদি শঙ্কৰদেৱে প্ৰচাৰ কৰিছে উপাস্য দেৱতা শ্ৰীকৃষ্ণৰ লীলা মাহাত্ম্য। নিৰক্ষৰ লোকসকলক কাহিনীৰ যোগেদি ধৰ্মৰ উপদেশ দিয়াই হৈছে শঙ্কৰদেৱৰ ৰচনাৰ মূল লক্ষ্য।

আখ্যানমূলক কাব্যৰ ভিতৰত শঙ্কৰদেৱৰ আন এখন ভক্তিসাহিত্য হ'ল— *'আদিদশম'*। *ভাগৱত-পুৰাণৰ* অন্তৰ্গত

এই কাব্যখনি বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ অন্যতম। আদিদশমত শ্ৰীকৃষ্ণৰ বাল্যকালৰ কাৰ্যকলাপ আৰু ঐশ্বৰিক মহিমা প্ৰকাশ পাইছে। কীৰ্তনৰ দৰে *'আদিদশম'*তো কেবাটাও স্বতন্ত্ৰ কাহিনী আছে। *ব্ৰহ্মমোহন, গোবৰ্দ্ধন ধাৰণ, ৰাসলীলা, কালিয়দমন, বস্ত্ৰহৰণ, শঙ্খচূড় বধ* আদি আখ্যানসমূহৰ পৰিবেশনৰ দ্বাৰা বৈষ্ণৱ ধৰ্মৰ দৰ্শনকেই পৰিস্ফুট কৰা হৈছে। মুঠতে কাহিনীমূলক ভক্তিকাব্য হিচাবে শঙ্কৰদেৱৰ 'কীৰ্ত্তন' আৰু 'দশম' আজিও প্ৰাচীন অসমীয়া সাহিত্যৰ ভিতৰত অপ্ৰতিদ্বন্দ্বী।

**(খ) তত্ত্বমূলক বা উপদেশমূলক ভক্তি সাহিত্য ঃ** যিবোৰ কাব্যত আখ্যান বা কাহিনীৰ সলনি ভক্তি ধৰ্মৰ নিৰ্দ্দিষ্ট তত্ত্ব পৰিবেশন কৰা হয় সেইবোৰ কাব্যকে ভক্তিতত্ত্বমূলক কাব্য



বুলি অভিহিত কৰা হয়। এই শ্ৰেণীৰ কাব্যত তত্ত্বসমূহ উপস্থাপন কৰাৰ লগে লগে সেইবোৰৰ যথাযোগ্য ভাবে পালন কৰিবলৈ উপদেশো সন্নিবিষ্ট কৰা হয়। সেইবাবে ইয়াক উপদেশমূলক কাব্য বুলিও কোৱা হয়। এই তত্ত্বমূলক কাব্যসমূহ তত্ত্বসৰ্বস্ব হোৱা বাবে ইয়াৰ নিহিতাৰ্থ হৃদয়ঙ্গম কৰা সকলোৰে পক্ষে সম্ভৱ নহয়। সেইকাৰণে এনে তত্ত্বমূলক কাব্যৰ জনপ্ৰিয়তা সীমিত।

শ্ৰীমন্ত শঙ্কৰদেৱৰ 'ভক্তি প্ৰদীপ', 'ভক্তি-ৰত্নাকৰ', মাধৱদেৱৰ 'ভক্তি-ৰত্নাৱলী', বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ 'ভক্তি বিবেক' অন্যতম। 'ভক্তি ৰত্নাকৰ', 'ভক্তি-ৰত্নাৱলী' আৰু *'ভক্তি বিবেক'* এই আটাইকেইখন বৈষ্ণৱধৰ্মৰ নানাবিধ তত্ত্ব সন্নিবিষ্ট হৈছে। *'ভক্তি ৰত্নাকৰ'* সংস্কৃত ভাষাত ৰচিত। গ্ৰন্থখনিত বৈদিক সাহিত্যৰ পৰা আৰম্ভ কৰি পুৰাণাদি বিভিন্ন গ্ৰন্থৰ পৰা সূত্ৰ, শ্লোক আদি সংগ্ৰহ কৰি ৰচনা কৰা আৰু ভক্তি ধৰ্মৰ মূল তত্ত্বসমূহ সন্নিৱিষ্ট হৈছে। *ভক্তি ৰত্নাৱলী* অসমীয়া ভাষাত ৰচিত। ইয়াত ন-প্ৰকাৰৰ ভক্তি আৰু সৎসঙ্গ মাহাত্ম্য, বিষ্ণুভক্তিৰ শ্ৰেষ্ঠতা, একশৰণৰ উপযোগিতা আদি ভক্তিমূলক তত্ত্বসমূহ আলোচনা কৰা হৈছে। *ভক্তি-ৰত্নাকৰ*ত ভক্তিৰ তত্ত্বসমূহ সন্নিৱিষ্ট হৈছে। তত্ত্বসমূহ হৈছে— গুৰুমাহাত্ম্য, নৃদেহ মাহাত্ম্য, সৎসঙ্গ, সাধুৰ লক্ষণ, শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চন, বন্দন, আত্মনিবেদন, দাস্য, সখিত্ব, উত্তমা ভক্তি, অন্তৰঙ্গ ভক্তি, ভগৱদ্ ভক্তি, সগুণ ভক্তি, নিৰ্গুণা ভক্তি, উত্তম ভক্ত, প্ৰকৃতভক্ত, জীৱাত্মা, পৰমাত্মা, মায়া ইত্যাদি। তত্ত্বসাপেক্ষ হোৱা বাবে এই শ্ৰেণীৰ কাব্য আখ্যানমূলক কাব্যতকৈ কিছুপৰিমানে নিৰস।

**(গ) আবেগমূলক ভক্তিকাব্য ঃ** এই শ্ৰেণীৰ কাব্যও তত্ত্ব আৰু উপদেশমূলক যদিও ইয়াত কবিৰ ভাৱ অনুভূতি নিবিড় ভাবে জড়িত হৈ থাকে। হৃদয়ৰ সমস্ত আবেগ অনুভূতি বিষয়বস্তুৰ লগত জড়িত হৈ থাকে বাবেই এই শ্ৰেণীৰ কাব্যৰ নাম আবেগমূলক ভক্তিকাব্য। এই শ্ৰেণীৰ কাব্যৰ ভিতৰত মাধৱদেৱৰ *'নাম-ঘোষা'*ক আবেগমূলক কাব্য বুলি অভিহিত কৰা হয়। আনহাতে *'নাম-ঘোষা'* দাস্য আৰু আত্ম লঘিমাৰো চৰম প্ৰকাশ। মাধৱদেৱৰ *নাম-ঘোষা* তুলি গীতসমূহ কৰুণা বিগলিত কবিতা আৰু ই ভাৰতীয় সাহিত্যতো বিৰল। মাধৱদেৱৰ বৰগীতসমূহতো আবেগ বিগলিত হৈ থকা দেখা যায়। *নাম-ঘোষা*ত অৱতাৰবাদ, মায়াবাদ, একশৰণ আদি তত্ত্বসমূহ যিদৰে উপস্থাপিত হৈছে তেনেদৰে আবেগ করুণা, ভক্তি মিশ্ৰিত এখনি অনুভূতিপূৰ্ণ চিত্ৰও অঙ্কিত হৈছে।

এনেদৰে বৈষ্ণৱ যুগৰ সাহিত্যক উপস্থাপন ৰীতিৰ ওপৰত

নিৰ্ভৰ কৰি আখ্যানমূলক তত্ত্বমূলক আৰু আবেগমূলক এই তিনিভাগ আলোচনা কৰিব পাৰি।

**নাম-ঘোষাত ভক্তিতত্ত্ব ঃ**

অসমীয়া বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ ভিতৰত মহাপুৰুষ মাধৱদেৱৰ বিৰচিত *'নাম-ঘোষা'* অন্যতম গ্ৰন্থ। বাকী তিনিখন হৈছে *কীৰ্ত্তন, দশম* আৰু *ভক্তি-ৰত্নাৱলী*। বৈষ্ণৱ ধৰ্মৰ সমস্ত তত্ত্বকথা এই চাৰিপুথিৰ পোৱা যায়।

*নাম-ঘোষাত* স্থান লাভ কৰা সকলো কথাই হৰিভক্তি কেন্দ্ৰিক। 'নাম' আৰু 'ঘোষা' এই দুটা শব্দৰ দ্বাৰা *'নাম-ঘোষা'* নামটো গঠিত হৈছে। এই নাম অতিশয় তাৎপৰ্য পূৰ্ণনাম। ইয়াত 'নাম' শব্দটোৱে কেৱল হৰিনামহে বুজাইছে। *নাম-ঘোষাত* মাধৱদেৱে *শ্ৰীমদ্ভাগৱতপুৰাণ, শ্ৰীমদ্ভগৱদ্‌গীতা* আৰু অন্যান্য শাস্ত্ৰৰ পৰা হৰিভক্তিমূলক শ্লোক সংগ্ৰহ কৰি সেইবোৰৰ অৰ্থ, তাৎপৰ্য আৰু ভাৱাৰ্থ নানা ছন্দত প্ৰকাশ কৰিছে।

*নাম-ঘোষাৰ* 'ঘোষা' শব্দটোও তাৎপৰ্যপূৰ্ণ। সংস্কৃত ঘুষ্ (ডাঙৰকৈ বা উচ্চস্বৰে প্ৰকাশ কৰা) + আৰ পৰা 'ঘোষা' ৰূপ হৈছে। 'ঘোষ' মানে 'নাদ'। 'নদ' শব্দে ঘঞ্ অৰ্থাৎ ধ্বনি। নাম উচ্চাৰণৰ লগত 'নাদ' বা 'ঘোষ'ৰ সুক্ষ্মভাবে দৃঢ়সম্বন্ধ আছে। ব্যাসদেৱে যিদৰে যোগ অৱলম্বন কৰি সমাধিস্থ হৈ 'নাদ' ৰূপী পৰমবহ্মৰ নাম-গুণ লাভ কৰিছিল, সেইদৰে প্ৰকৃত নাদত ৰসাস্বাদন কৰিববলৈ হ'লে 'নাদ'ৰ সাহায্য একান্ত আৱশ্যক।

ভগৱানৰ নামৰ পুনঃ পুনঃ আবৃত্তিৰ কথা আছে বাবেই এই গ্ৰন্থৰ নাম *'নাম-ঘোষা'*। *নাম-ঘোষাত* এহেজাৰ এজোকা ঘোষা থকাৰ বাবেই ইয়াক *'হেজাৰী ঘোষা'* বুলিও জনা যায়। *নাম-ঘোষা* মহাপুৰুষ মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ শ্ৰেষ্ঠ কীৰ্ত্তি। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোধানৰ পিছত মাধৱদেৱে *'নাম-ঘোষা'* সম্পূৰ্ণ কৰে। মহাপুৰুষ মাধৱদেৱে *'নাম-ঘোষা'*ত নাম-ধৰ্মৰ তাত্ত্বিক কথাসমূহ শৰণ, ভজন, নমস্কাৰ, উপদেশ, আত্মউপদেশ, আত্মনিন্দা, বস্তুপ্ৰকাশ, প্ৰশংসা, হৰবাৰ, কলিধৰ্ম, নিৰ্ণয়, ঈশ্বৰনিৰ্ণয়, মহিমাযুক্ত উপদেশ, নাম-মহিমা, খেদ, ভাগৱত প্ৰশংসা আদি সাতাইশ খণ্ডত বিভক্ত কৰিছে। একত্ৰিশখনত-কৈয়ো অধিক সংস্কৃত গ্ৰন্থৰ পৰা শ্লোক সংগ্ৰহ কৰি মাধৱদেৱে এই অনুপম গ্ৰন্থখনি ৰচনা কৰিছে।

*নাম-ঘোষা* এখনি ভক্তিনিৰূপক গ্ৰন্থ। ইয়াত ভক্তি, ভক্ত আৰু ভগৱন্ত এই ত্ৰিতত্ত্বৰ আভাস পোৱা যায়। কাৰণ ভক্ত আৰু ভগৱানৰ মাজত সম্পৰ্কস্থাপন কৰে ভক্তিয়ে। ভক্তৰ চূড়ান্ত উদ্দেশ্য হৈছে মোক্ষ লাভ বা ভগৱানক লগ পোৱা। ভগৱানক লগপোৱাৰ একমাত্ৰ উপায় হৈছে ভক্তি। মাধৱদেৱে *নাম-ঘোষাৰ* প্ৰথমফাঁকি ঘোষাতে ভক্ত, ভগৱান আৰু ভক্তি— এই ত্ৰিতত্ত্বৰ সন্ধান দিছে।

মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।১।।

ইয়াত ভক্ত (সেহি ভকতক নমো), ভক্তি (ৰসময় মাগোহো ভকতি), ভগৱান (ভজো হেন দেৱ যদুপতি)।

*নাম-ঘোষাত* ভকতক প্ৰথম স্থান দিয়া হৈছে আৰু সেই ভকতক নমস্কাৰ জনাইছে মাধৱদেৱে নাম-ঘোষা আৰম্ভ কৰিছে। বিষ্ণুপুৰী সন্যাসীৰ "যে মুক্তাৱপি নিস্পৃহাঃ" (*ভক্তি-ৰত্নাৱলী,* কান্তিমালা-টীকা)— এই শ্লোকফাঁকিৰ আধাৰতে প্ৰথম ঘোষাটি অনুবাদ কৰিছে। ইয়াত কোৱা হৈছে যে— মুক্তিতো স্পৃহা নথকা যিসকল ভক্তই প্ৰতিমুহূৰ্ততে নতুন আনন্দদায়িনী ভক্তিক অৱলম্বন কৰি সমস্তমস্তক মণি পৰমেশ্বৰক নিজৰ অধীন কৰে সেইসকল ভকতক নমস্কাৰ আৰু ভক্ত বৎসল শৰণ্য হৰিকো সদায় ভজনা কৰিছে। কেৱল ভকতেহে ভগৱানক লগ পাবৰ যোগ্যতা আছে। আনহাতে, ভকতৰ মাহাত্ম্যও অপাৰ। ভকতে ভগৱানৰ নাম-গুণ গাই য'তেই থাকে তাতেই ভগৱানে বিৰাজ কৰে।

একান্ত ভকত সৱে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠত পৰিহৰি যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাত তথাত।।৪।।

গীতাত (৭ম অধ্যায়, শ্লোক-১৬) চাৰিবিধ ভক্তৰ কথা কোৱা হৈছে। সেই সকল হৈছে— আৰ্ত্ত (ক্লিষ্ট বা বিপন্ন), জিজ্ঞাসু (আত্মজ্ঞান লাভৰ ইচ্ছা), অৰ্থাৰ্থী (ইহকাল আৰু পৰকালত সুখভোগৰ বাবে উপাসক) জ্ঞানী (তত্ত্বদৰ্শী)। আনহাতে, সাত্ত্বিক, তামসিক আৰু ৰাজসিক এনে প্ৰকাৰেও শ্ৰেণী বিভাজন কৰা হয়। আকৌ ভক্তৰ স্তৰ তিনিটা—প্ৰাকৃত, মধ্যম আৰু উত্তম। ভক্তিমাৰ্গত প্ৰাৰম্ভিক স্তৰৰ ভক্তকে প্ৰাকৃত

বা সাধাৰণ ভক্ত বোলা হয়। মধ্যম ভক্তই সমস্তপ্ৰাণীতে ঈশ্বৰ দেখে, সমানজনত মৈত্ৰী কৰে, দুঃখিতক কৃপা কৰে, বিপক্ষক ক্ষমা কৰে। উত্তম শ্ৰেণীৰ ভকত হৈছে শ্ৰেষ্ঠ ভকত। যিজনে সমস্ত প্ৰাণীক ঈশ্বৰ যেন জ্ঞান কৰে, ইন্দ্ৰিয় ভোগত নিস্পৃহ, দ্বেষ ৰহিত জগত মায়াময় বুলি ভাবে, মন ঈশ্বৰত সমৰ্পণ কৰে সেইজনাই উত্তম ভকত।

ভক্তৰ (ভকতৰ) স্থান বৈষ্ণৱ ধৰ্মত ইমানেই সুউচ্চ যে ভকতক নিন্দা কৰা জনক অধম বুলি কোৱা হৈছে। ('ভকতক নিন্দা কৰৈ অধম'— কীৰ্ত্তন-পদ-৪৮)। মাধৱদেৱে সেইজন ভকতকহে নমস্কাৰ জনাইছে যিজন ভক্ত মুক্তি অৰ্থাৎ সালোক্য, সাৰ্ষ্টি, সামীপ্য, সাৰূপ্য আৰু সাযুজ্য— এই পাঁচ প্ৰকাৰ মুক্তিৰ প্ৰতিও নিস্পৃহ।

নাম-ঘোষা ভক্তিতত্ত্বৰ বিষয়ে কৈছে যে— কাম, ক্ৰোধ, লোভ, ত্যাগ কৰি কৃষ্ণক ভক্তি কৰে তেওঁৰেই কৃষ্ণৰ কৃপাত মুক্তি লাভ কৰে (ঘোষা-২১০)। ভগৱদ ভক্তি সাধাৰণতে দুবিধ—সগুণাভক্তি আৰু নিৰ্গুণা ভক্তি। গুণ মানে সত্ত্ব, ৰজ, তম। প্ৰাকৃত বস্তুক আশ্ৰয় কৰি ত্ৰিগুণাধীন প্ৰাকৃতজনৰ যি ভগৱদ্ ভক্তি সেয়ে সগুণা ভক্তি। নিৰ্গুণ অৰ্থাৎ সত্ত্ব, ৰজ, তমৰ অধীন নোহোৱাকৈ গুণাতীত ভগৱানৰ প্ৰতি ত্ৰিগুণৰ অধীন নোহোৱা জনৰ যি ভক্তি সেয়া নিৰ্গুণা ভক্তি।

সাত্ত্বিকী ভক্তি মুক্তিৰ আশাত, ৰাজসিক ভক্তি সা-সম্পত্তিৰ আশাত, তামসীভক্তি শত্ৰু নাশৰ উদ্দেশ্যত নিবেদিত হয়, কিন্তু নিৰ্গুণ ভক্তিত কোনো কামনাৰ স্থান নাই। মাধৱদেৱে কৈছে—

ৰজো গুণ তমো<br>গুণ যত বৃত্তি<br>কেৱলে আসুৰী ভাৱ।<br>শুদ্ধ সত্ত্ব বৃত্তি<br>দেৱৰ সম্পত্তি<br>লৈয়া ভজা কৃষ্ণ পাৱ।।

(*নাম-ঘোষা*-২১৩)

*নাম-ঘোষাত* কোৱা হৈছে— মোক্ষ বা মুক্তি লাভৰ একমাত্ৰ উপায় ভক্তি। এই ভক্তি ন-বিধ— শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন-বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন।

*নাম-ঘোষা* দাস্য-ভাৱাত্মক গ্ৰন্থ। ড° বাণীকান্ত কাকতিয়ে ইয়াক *'মহাপ্ৰস্থানিক গীত'*ৰূপে আখ্যা দিছে। তেখেতৰ মতে *নাম-ঘোষাত* প্ৰধানতঃ তিনিটা ভাৱৰ ধাৰা মিহলি হৈছে— (ক) পুণ্যশ্লোক শঙ্কৰস্মৃতি, (খ) মাধৱদেৱৰ আত্ম-লঘিমা আৰু (গ) কৃষ্ণ ভক্তিৰ মাহাত্ম্য।

মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত-প্ৰচাৰিত ভক্তিপন্থ একশৰণ তত্ত্বক প্ৰতিষ্ঠিত। একশৰণৰ অৰ্থ হৈছে একান্ত নিষ্ঠা আৰু অনুৰক্তিৰে আত্মনিবেদন আৰু আত্মসমৰ্পণ। আনকথাত আশ্ৰয়। দেৱকীনন্দন কৃষ্ণত একান্ত চিত্তে আশ্ৰয় গ্ৰহণ কৰাহে প্ৰকৃত শৰণ। মহাপুৰুষ মাধৱদেৱে শঙ্কৰদেৱৰ মতকে আদৰ্শ ৰূপেলৈ কৃষ্ণ ভক্তি প্ৰচাৰ কৰিছে। মাধৱদেৱৰ দাস্য ভাৱাত্মক ভক্তিৰ তৃতীয় অভিব্যক্তি হ'ল আত্মলঘিমা। *নাম-ঘোষাৰ* খেদ, বিৰক্তি, আত্মনিন্দা, আশ্ৰয়, কাকুতি শীৰ্ষক ঘোষাবোৰত এহাতে যেনেকৈ ভক্তসুলভদীণতা প্ৰকাশ পাইছে আনহাতে তেনেকৈ ভক্ত প্ৰাণৰ ব্যাকুলতা, একাগ্ৰতা আৰু আত্মবিলোপনৰ ভাৱ সুন্দৰকৈ ফুটি উঠিছে।

*শ্ৰীমদ্ভাগৱতপুৰাণত* শ্ৰীকৃষ্ণৰ পূৰ্ণঅৱতাৰ বুলি কৈ অন্য অৱতাৰ সমূহক শ্ৰীকৃষ্ণৰ অংশাৱতাৰ বুলি কোৱা হৈছে। কৃষ্ণই স্বয়ং ভগৱান আৰু পূৰ্ণৱতাৰ হৈয়ো মনুষ্য আকাৰ ধাৰণ কৰাৰ মূল উদ্দেশ্য হ'ল মানুহৰ মাজত নিজকে পৰমবান্ধৱ আৰু পতিত-পাৱনৰূপে প্ৰতিষ্ঠা কৰা। উত্তম ভক্তিৰ জৰিয়তে ভক্তই ভগৱানৰ স্বৰূপতা উপলব্ধি কৰি আত্মবিলীন হোৱা দেখা গৈছে। *নাম-ঘোষাৰ* মূল বিষয়বস্তু হ'ল ভক্তিতত্ত্ব আৰু উপদেশ নিৰূপণ। সেইকাৰণে অসমীয়া ভক্তি সাহিত্যত *নাম-ঘোষাৰ* স্থান উচ্চ।■

**সহায়ক গ্ৰন্থ ঃ**

১. *মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বাক্যামৃত* ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ১৯৯৮
২. *ভক্তিবাদ* ঃ তীৰ্থনাথ শৰ্মা, ১৯৯৫
৩. *ভক্তি সাহিত্য* ঃ ড° বিমল মজুমদাৰ, ১৯৯৯
৪. *অসমীয়া ভক্তি সাহিত্য* ঃ সম্পাদকদ্বয়- কৈলাস দাস ও ড° ৰজিতা কলিতা মৰল।



# অসমীয়া শিশু সাহিত্যৰ ইতিহাস ঃ চমু আলোকপাত

জয়ন্ত মাধৱ বৰা
সাহিত্য অকাদেমী বঁটাপ্ৰাপ্ত সাহিত্যিক

শিশু সাহিত্য মানে শিশুৰ বাবে, শিশুৰ উপযোগীকৈ লিখা সাহিত্য। জন্মৰ পৰা কৈশোৰলৈকে শিশুৰ এই সময়চোৱাক লৈ শিশুৰ উপযোগীকৈ আৰু শিশুৱে পঢ়ি ভালপোৱাকৈ গুণগত মানদণ্ডৰে লিখা কবিতা, গল্প, সাধু আৰু কাহিনীবোৰেই শিশু সাহিত্য। শিশু সাহিত্যৰ এই সময়চোৱাক লৈও ভিন্ন-মত দেখা যায়। অসমীয়া ভাষাত ইয়াক "শিশু সাহিত্য" আৰু "কৈশোৰ কালৰ সাহিত্য"— এনেকৈ দুটা ভাগত ভাগ কৰা দেখা যায় সাধাৰণতে। বহুতে আকৌ "কৈশোৰ কালৰ সাহিত্য"ক "শিশু সাহিত্য"ৰ ভিতৰত নধৰেই। সেয়া বয়ঃসন্ধিৰ সাহিত্য বুলি অভিহিত কৰিব খোজে। ইংৰাজী সাহিত্যত কিন্তু এটাই ভাগ— "চিলড্ৰেন লিটাৰেচাৰ।" জন্মৰ পৰা কৈশোৰলৈকে শিশুৰ উপযোগী লোক-সাহিত্য আৰু কাহিনীকে ধৰি কিশোৰৰ উপযোগী সকলো সৃষ্টিমূলক সাহিত্যই "চিল্‌ড্ৰেন লিটাৰেচাৰ"। শিশুৰ উপযোগী সকলো সাহিত্যকে শিশু সাহিত্যৰ ভিতৰত ধৰে। তেওঁলোকৰ বাবে শিশু সাহিত্য আৰু কিশোৰৰ বাবে সাহিত্য বেলেগ নহয়।

অসমীয়া আলোচনীৰ ইতিহাসেই অসমীয়া সাহিত্যৰো ইতিহাস। "জোনাকী"ৰ পৰা বৰ্তমানলৈকে যিমানবোৰ আলোচনী প্ৰকাশ হ'ল, তাৰ মাজেৰেই অসমীয়া গল্প, উপন্যাস, কবিতা, নিৱন্ধই এটা ধাৰাত আহি আজিৰ অৱস্থাত উপনীত হৈছেহি। একেদৰে অসমীয়া শিশু সাহিত্যও শিশু আলোচনীৰ মাজেৰেই গতি কৰি আহি আজিৰ অৱস্থা পাইছেহি। "ল'ৰাবন্ধু"ৰ পৰা বৰ্তমানলৈকে যি ৮৮খন শিশু আলোচনী প্ৰকাশ পালে, সেই সকলোবোৰেই অসমীয়া শিশু সাহিত্যক টনকিয়াল কৰাত বলিষ্ঠ ভূমিকা লৈছিল আৰু আজিও প্ৰকাশিত শিশু আলোচনীকেইখনে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছে। অসমীয়া শিশু সাহিত্যৰ বৰ্ণিল যাত্ৰা বহু আগৰ। অসমীয়া ভাষাৰ নিচুকনী গীতবোৰ অতীতত ইজনৰ পৰা সিজনলৈ মুখে মুখেই বাগৰি গৈছিল। লিখিত ৰূপত নাছিল বাবে বহুত হেৰাইও গ'ল। ঠিক সেইদৰে ৰজা মহাৰজাৰ কাহিনী, পৰীৰ দেশৰ কথা, ৰাক্ষসৰ সাধু, মহাভাৰত ৰামায়নৰ কাহিনীবোৰ, পঞ্চতন্ত্ৰৰ সাধুবোৰ, এই সকলোবোৰ মুখে মুখেই চলি আহিছিল। ঘৰৰ আগফালৰ চোতালত বহি ককাক আইতাকে নাতি-নাতিনীহঁতক কৈছিল এই সাধুকথাবোৰ। অঞ্চলভেদে থকা জনগোষ্ঠীয় লোক-সাহিত্যবোৰো আছিল ইয়াৰ মাজতে। লিখিতৰূপত নথকা বাবেই বহুত জনগোষ্ঠীয় সাধু হেৰাই গ'ল। নজনাকৈয়ে শিশু সাহিত্যৰ ধাৰা সেই সময়তো চলি আছিল। বিকাশো হৈছিল। শিশুসকলক সাধু আৰু নীতিশিক্ষাৰ লগত জড়িত কৰি ৰখাৰ কাৰণেই বোধহয় শিশু সাহিত্য বুলিলে অসমীয়া ভাষাত কেৱল সাধু বুলিহে বা নীতিশিক্ষা বুলিহে ধাৰণা কৰে বহুতে। এই কথাটো এই কাৰণেই ক'বলগীয়া হৈছে কাৰণ কোনোবা এজনক শিশুৰ বাবে কিবা এটা লিখিবলৈ ক'লেই পোনে পোনে সাধুৰ দৰে নীতিশিক্ষা জাতীয় কিবা এটা লিখি দিয়ে। আকৌ বেছি ভাগ শিশু সাহিত্যই ৰচনা হয় বয়স্ক লোকৰ দ্বাৰা। তেওঁলোকে শিশুসকলক যেনেকুৱাকে বিচাৰে, যি হোৱাটো বিচাৰে, যেনেদৰে চাব বিচাৰে, তেওঁলোকৰ লিখাত তাকে প্ৰকাশ পায়। তেওঁলোকে তেনেধৰণৰেই লিখে। গতিকে শিশু সাহিত্য প্ৰায়ে নীতিশিক্ষা ধৰণৰ হয়। শিশু সাহিত্য বুলি ক'লেযে কবিতা, গল্প, উপন্যাস, সাংবাদিকতা, অনুসন্ধানমূলক, বুৰঞ্জীমূলক, বিজ্ঞানভিত্তিক, এই সকলোবোৰ বিষয়েইযে সাঙোৰ খাই পৰে, সেইটো আলোচনা কৰা আজিপৰ্যন্ত দেখা নাই। শিশু সাহিত্যক তেনে এটা দৃষ্টিভংগীৰে চোৱা দেখা নাযায়।

বৈষ্ণৱ যুগৰ কবি শ্ৰীধৰ কন্দলীয়ে লিখা "কাণ-খোৱা" খনেই প্ৰথম অসমীয়া শিশুপুথি। তাৰপিছতেই ৰাম সৰস্বতীৰ "ভীম চৰিত"ৰ নাম ল'ব লাগিব। শিশুক মনোৰঞ্জন দিয়া এইখনো এখন উল্লেখযোগ্য পুথি। উনবিংশ শতিকাত বিশ্ব

সাহিত্যত শিশু সাহিত্যই প্ৰসাৰতা লাভ কৰাৰ সময়তে অসমীয়া সাহিত্যতো শিশু সাহিত্যই ভুমুকি মাৰিছিল। প্ৰথম অসমীয়া বাতৰি কাকত "অৰুনোদই (১৮৪৬-১৮৮০) ৰ পাতত ডাঙৰৰ লগতে শিশু পঢ়ুৱৈৰ বাবেও অনেক লেখনী প্ৰকাশ পাইছিল। অকণিহঁতক সম্বোধন কৰি "অৰুনোদই" কাকতত "অৰুনোদই পৰ্হা সৰু লৰাবিলাকৰ প্ৰতি প্ৰথম প্ৰনই পত্ৰ" নামেৰে চিঠিপত্ৰৰ এটা শিতানো প্ৰকাশ পাইছিল। অৰ্থাৎ "অৰুনোদই"ৰ পাততে অসমীয়া শিশু সাহিত্যৰ জন্ম হৈছিল বুলি ক'ব পাৰি। অৰুনোদই গোষ্ঠীৰ অন্যতম এলিজা ব্ৰাউনে ল'ৰা-ছোৱালীৰ উপযোগী পুথি এখন লিখি প্ৰকাশ কৰিছিল। সম্ভৱতঃ এইখনে অসমীয়া শিশু সাহিত্যৰ প্ৰথম কিতাপ।" (অৰুনোদইৰ অৰিহণা-- অতুলচন্দ্ৰ হাজৰিকা)। ব্ৰাউনে অসমীয়া ভাষা প্ৰবৰ্তনৰ কাৰণে পাঠ্যপুথি ৰচনাত আগভাগ লৈছিল। পাঠ্যপুথিৰ অভাৱ দূৰ কৰিবলৈ তেওঁ এঘাৰখন পুথি ৰচনা কৰি উলিয়াইছিল। ব্ৰাউনৰ পত্নী এলিজা ব্ৰাউনে "গননাৰ অংক" (১৮৪০), "ভূগোলৰ বিৱৰণ" (১৮৪৯) আদি স্কুলৰ উপযোগী কিতাপ লিখি খ্যাতি আৰ্জিছিল" ছপা আকাৰত অসমীয়া শিশু সাহিত্যৰ বিকাশ ঘটে বেজবৰুৱাৰ হাতত। বেজবৰুৱাই অসমৰ গ্ৰাম্য সমাজত মুখে মুখে প্ৰচলিত হৈ থকা লোক-সাহিত্য যেনে নিচুকনী গীত, ওমলা গীত, সাধু আদি সংগ্ৰহ কৰি লিখিত ৰূপ দিলে। অলপ পোনাই-পজাই ছপা কৰি "বুঢ়ী আইৰ সাধু" নাম দি সাধুবোৰ প্ৰকাশ কৰিলে। আচলতে ইয়াৰ পৰাই অসমীয়া শিশু সাহিত্যই যাত্ৰা আৰম্ভ কৰিলে বুলি ক'ব পাৰি।

বলদেৱ মহন্তৰ "উজুপাঠ" নামৰ শিশু পুথিখনে সমগ্ৰ অসমতে সমাদৰ লাভ কৰিছিল। উনবিংশ শতিকাত পঢ়াশালিত প্ৰৱৰ্তনৰ বাবে অসমীয়া পাঠ্যপুথিৰ ৰচনাত কেইবাগৰাকী সাহিত্যিকে অৱদান আগবঢ়াইছিল। পদ্মনাথ গোহাঞিবৰুৱাই তিনিচোৱা নীতিশিক্ষা ৰচনা কৰিছিল আৰু পানীন্দ্ৰ গগৈৰ সৈতে লগ লাগি "সাহিত্য-সংগ্ৰহ" নামৰ পাঠ্যপুথিখন সম্পাদনা কৰিছিল। পানীন্দ্ৰ গগৈৰ "ল'ৰা শিক্ষাৰ আগচোৱা", "মাজচোৱা" আৰু "শেষচোৱা" পাঠ্যপুথি যদিও উচ্চ মানদণ্ডৰ শিশু সাহিত্য। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে তেওঁ পাঁচখন পুথি ৰচনা কৰি উলিয়ায়। সেইকেইখন হ'ল — "ল'ৰাশিক্ষা (আগছোৱা)", "ল'ৰাশিক্ষা (মাজছোৱা)", ল'ৰাশিক্ষা (শেহছোৱা)", "অসমীয়া ল'ৰাৰ ভূগোল" আৰু "গণনাৰ পুথি"। দূৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱাই "উজু কবিতা", "ফুল" আৰু ল'ৰা কবিতা" নামৰ তিনিখন শিশু পুথি ৰচনা কৰিছিল। দেৱেশ্বৰ চলিহাৰ "ল'ৰা-সখি" আৰু আব্দুল মজিদৰ "নিম্ন প্ৰাইমেৰী পাঠ" দুখন পাঠ্যপুথি। আনন্দৰাম ঢেকীয়াল ফুকনৰ "অসমীয়া ল'ৰাৰ মিত্ৰ" বুৰঞ্জী আৰু ভূগোলৰ পাঠ্যপুথি আছিল।" (অসমীয়া শিশু-সাহিত্য সমীক্ষা — শান্তনু তামূলী)। শিশুৰ বাবে যুগুতোৱা এই পাঠ্যপুথিবোৰেও উনবিংশ শতিকাৰ শিশু সাহিত্যক সমৃদ্ধ কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱাৰ "মুক্তি" গল্পটো হ'ল অসমীয়া শিশু চুটি গল্পৰ প্ৰথম নিদৰ্শন। শিশু মনস্তত্ত্বৰ ওপৰত লিখা এই গল্পটো প্ৰকাশ পাইছিল একাদশ বছৰ দশম-একাদশ সংখ্যা "বাঁহী" আলোচনীত। জ্যোতিপ্ৰসাদ আগৰৱালাৰ "সোণটিৰ অভিমান" একেধৰণৰ শিশু মনস্তত্ত্বৰ গল্প। জ্যোতিপ্ৰসাদ আগৰৱালাই সেই সময়চোৱাতে ৰচনা কৰা "কম্পুৰ সপোন" এটা উল্লেখযোগ্য শিশু কবিতা। ১৯১৫ চনত ৰচনা কৰা "বাখৰ" বেজবৰুৱাৰ আন এখন উল্লেখযোগ্য শিশু গ্ৰন্থ। আৰম্ভনীৰ পৰা গোটেই বিংশ শতিকাটোতে বুজন পৰিমানৰ শিশু সাহিত্যৰ ৰচনাৰে অসমীয়া শিশু সাহিত্য সমৃদ্ধ হ'ল। বেজবৰুৱাই আৰম্ভ কৰা নীতিশিক্ষা আৰু সাধুকথাৰ বাটটোৰে বহুতেই বাট বুলি অসমীয়া শিশু সাহিত্যক সমৃদ্ধ কৰিলে। শতিকাটোৰ প্ৰথমচোৱাতে তুলসী প্ৰসাদ দত্তৰ "সাধুকথাৰ জোলোঙা" (১৯০৯), শৰৎ চন্দ্ৰ গোস্বামীৰ "অসমীয়া সাধুকথা (১৯২৯), কুমুদেশ্বৰ বৰঠাকুৰৰ "সাধুকথাৰ ভঁড়াল", চন্দ্ৰধৰ ৰাজখোৱাৰ "পঞ্চকন্যা", মহেশ চন্দ্ৰ কটকীৰ "বেতাল পঞ্চবিংশতি", "গজমুকুতা", তাৰানাথ বৰপূজাৰীৰ "মহাভাৰতৰ ৰহঘৰা", "মহাভাৰতৰ মৌ-বিচনী", ৰোষেশ্বৰ শৰ্মাৰ "ঈছপৰ সাধু", মিত্ৰদেৱ মহন্তৰ "মৌ মহাভাৰত" (১৯২৫), বেণুধৰ শৰ্মাৰ "মৰমৰ কাৰেং", হৰিপ্ৰসাদ বৰুৱাৰ "মইনা" (১৯২৬), শতিকাটোৰ মাজচোৱাত অতুল চন্দ্ৰ হাজৰিকাৰ "কথা-কীৰ্ত্তন" (১৯৪৫), "পুৰণি সাহিত্যৰ পাৰিজাত" (১৯৪৮), "মাণিকী মাধুৰী" (১৯৪৯), "অপেশ্বৰীৰ দেশ" (১৯৫২), "দিগ্বীজয়ী" (১৯৫২), "ৰুণুক-জুনুক" (১৯৫৩), "আগৰ দিন" (১৯৫৪), "হাঁহি চম্পা" (১৯৫৭), "গ্ৰীমৰ সাধু" (১৯৬০), "ৰাণী হিমানী" (১৯৬২), "জলকুঁৱৰী" (১৯৬৮), "এণ্ডাৰচনৰ সাধু" (১৯৬৮) আদি শিশু গ্ৰন্থই অসমীয়া শিশু সাহিত্যক টনকিয়াল কৰি তুলিলে (অসমীয়া শিশু-সাহিত্য সমীক্ষা — শান্তনু তামূলী)।

বিংশ শতিকাৰ আৰম্ভনীতে এগৰাকী শিশু সাহিত্যিকে আগবঢ়োৱা উল্লেখযোগ্য বৰঙণীয়ে আজিও অসমীয়া শিশু

সাহিত্যৰ ভেটি শক্তিশালী কৰি ৰাখিছে। তেখেত হ'ল ছোলেইমান খাঁ। ছোলেইমান খাঁৰ দুখন পুথি প্ৰকাশ পাইছিল। সেই পুথি দুখন হৈছে — "কবিতা-পুথি আগছোৱা" আৰু "মতিৰ যোকা"। "কবিতা-পুথি আগছোৱা"খন প্ৰকাশ পাইছিল ১৯০২ চনত। পুথিখন অসমৰ শিক্ষা বিভাগে পাঠ্যপুথি হিচাপেও মনোনিত কৰিছিল। তেখেতৰ "জোনাক নিশা" নামৰ পদ্যটো অতীতৰে পৰা আজিলৈকে শিশুহঁতৰ প্ৰায় প্ৰতিখন অসমীয়া সাহিত্যৰ পাঠ্যপুথিত অন্তৰ্ভূক্ত হৈছে।

কেনেনো জোনাক ৰাতি চোৱা আজি ভাই
দেখিলেই দেহা মন জুৰ পৰি যায়।

ছোলেইমান খাঁৰ কবিতাসমূহ মূলতঃ নীতি শিক্ষামূলক। শিশুহঁতৰ মনত ইতিবাচক চিন্তাৰ উদ্ৰেক কৰি, সিহঁতক এলাহ ত্যাগ কৰি নিজ কৰ্মত ব্ৰতী হ'বলৈ প্ৰেৰণা যোগোৱাটোৰেই যেন তেখেতৰ উদ্দেশ্য। তাৰ নিদৰ্শন তেখেতৰ "নোৱাৰোঁ" নামৰ কবিতাটোত পোৱা যায়।

নোৱাৰোঁ কথাটি বোপা বেয়া কথা বৰ
কদাপি নহয় সিটো কথা পুৰুষৰ

বিংশ শতিকাৰ আৰম্ভণীৰ আন এগৰাকী শিশু সাহিত্যিক হ'ল হৰিপ্ৰসাদ বৰুৱা। "হৰিপ্ৰসাদ বৰুৱাৰ তিনিখন সাধুকথাৰ পুথি হৈছে ক্ৰমে — মইনা, বীৰচতিয়াৰ দেশ আৰু একপক্ষ। "টোপনি নহা ৰজা" গল্পটো এতিয়াও জনপ্ৰিয়।

এই সময়চোৱাতে লোককথাৰ সমলেৰে কেইখনমান উচ্চ মানদণ্ডৰ সাধুকথাৰ শিশু পুথি ৰচিত হৈছিল। তাৰ ভিতৰত বেণুধৰ শৰ্মাৰ "লাটুমণি", প্ৰফুল্ল দত্ত গোস্বামীৰ "বিলাতী হোজা", শশীপ্ৰভা দাসৰ "ৰ'দালি এ ৰ'দ দে", অতুল চন্দ্ৰ বৰুৱাৰ "ওলট-পালট", "সন্ধিয়াৰ সাধু", "মাজনিশাৰ সাধু", অনু বৰুৱাৰ "সাধু সাধু সাধু", ৰাধিকা মোহন ভাগৱতীৰ "এজন ৰজা আছিল", কাশীনাথ বৰ্মনৰ "দেশ-বিদেশৰ সাধু", প্ৰসন্নলাল চৌধুৰীৰ "আমাৰ দেশৰ সাধু", চৈয়দ আব্দুল মালিকৰ "মুকলি মনৰ সাধু", ড° কালিনাথ শৰ্মাৰ "ভালুকক ভুৰকালে", নৰেন্দ্ৰ নাথ শৰ্মাৰ "লাক-পাকুৰ-কুৰ" ড° লীলা গগৈৰ "পোনাকনৰ সপোন", "ৰংমনৰ কথা", "সোণতৰা", প্ৰেমধৰ দত্তৰ "ন-কথা", "ভেকো-ভাওনা", "সাজি কোৱা নাই", মুক্তিনাথ বৰদলৈৰ "তীৰ্থযাত্ৰীৰ সাধু" ড° কেশৱানন্দ দেৱ গোস্বামীৰ "ক'ব জানিলে কথা", "নাহিবি জপনা দেই", আব্দুছ ছাত্তাৰৰ "অকণি অকণি পোৱালমণি", পূৰ্ণ চন্দ্ৰ গোস্বামীৰ "জিলিংখাপৰ সাধু" যতীন গোস্বামীৰ "পিং পং বৰুৱাৰ মটৰগাড়ী", নন্দ তালুকদাৰৰ "তাহানিৰ সাধু", ডিম্বেশ্বৰ চলিহাৰ "শিয়াল পণ্ডিত", প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ "বুধিয়ক কোন", গোলোক চন্দ্ৰ দত্তৰ "নিগনি কন্যাৰ দৰা", সত্যেন বৰকটকীৰ "ল'ৰা-লুৰিৰ সাধু", ড° নবীন চন্দ্ৰ শৰ্মাৰ "আইৰ মুখৰ সাধু", সুৰেন্দ্ৰ কুমাৰ দাসৰ "গোপাল ভাড়ৰ সাধু" "নিংনি ভাওৰীয়াৰ সাধু" অন্যতম।

এই সময়চোৱালৈকে শিশু সাহিত্য বুলিলে কেৱল নীতি-শিক্ষা আৰু সাধুকথাকহে বুজা গৈছিল। লোক-সাহিত্যৰ গইনা লৈ এই সাধুকথাৰ কিতাপবোৰ লিখাৰ উপৰিও বিদেশী সাধুকথাৰ কিতাপ কিছুমানো অনুবাদ কৰি অসমীয়া শিশু সাহিত্যৰ ভঁড়াল টনকিয়াল কৰি তোলা হৈছিল। বিদেশী সাধুৰ অনুবাদৰ ধাৰাটো কিন্তু "অৰুনোদই"ৰ পাততে আৰম্ভ হৈছিল। স্বাজোত্তৰ কালত সুৰেন্দ্ৰ মোহন দাসৰ "টলষ্টয়ৰ সাধু", প্ৰফুল্ল বৰুৱাৰ "গ্ৰীচদেশৰ সাধু", যতীন্দ্ৰনাথ গোস্বামীৰ "মৌচাক", আজলি তৰা নেওগৰ "আলিবাবা আৰু দুকুৰি ডকাইত", যজ্ঞেশ্বৰ শৰ্মাৰ "গুলেস্তাৰ সাধু", ৰঞ্জিতা বৰুৱাৰ "চীনদেশৰ সাধু", প্ৰমোদ কাকতিৰ "জাপানী সাধু" ডঃ লক্ষহীৰা দাসৰ "দেশ-বিদেশৰ শিশু গল্প সংগ্ৰহ", শুচিব্ৰতা ৰায়চৌধুৰী আৰু ভৱগিৰী ৰায়চৌধুৰীৰ "সোণালী পেৰা", নিৰূপমা ফুকনৰ "কাশ্মীৰ দেশৰ সাধু", "নেপালৰ সাধু" আদি অনুদিত সাধুকথাৰ গ্ৰন্থবোৰেই (অসমীয়া শিশু-সাহিত্য সমীক্ষা — শান্তনু তামুলী) স্বাজোত্তৰ কালৰ প্ৰথমচোৱাত অসমীয়া শিশু সাহিত্য হিচাপে বিবেচিত হৈ আহিছিল।

বিংশ শতিকাৰ শেষৰ পাঁচটা দশকতে অসমীয়া শিশু সাহিত্যই ঠন ধৰি উঠে। নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, লীলা গগৈ, হোমেন বৰগোহাঞি, হীৰেন ভট্টাচাৰ্য, চৈয়দ আব্দুল মালিক, নিৰ্মলপ্ৰভা বৰদলৈ, ভবেন্দ্ৰ নাথ শইকীয়া, শান্তনু তামুলী, গগন চন্দ্ৰ অধিকাৰী, বন্দিতা ফুকন, যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি, তোষপ্ৰভা কলিতা, ভাৰতী বৰুৱা, ড° কৰবী ডেকা হাজৰিকা, এলি আহমেদ, ড° দীনেশ চন্দ্ৰ গোস্বামী, ৰঞ্জু হাজৰিকা, জয়ন্ত মাধৱ বৰা, ৰথীন্দ্ৰ নাথ গোস্বামী, দীপক কুমাৰ কলিতা আদি সাহিত্যিকসকলৰ লিখনিৰে সমৃদ্ধ হৈ অসমীয়া শিশু সাহিত্যই ভাৰতীয় শিশু সাহিত্যৰ তুলনাত এক উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হ'ল। "এখুদ ককাইদেউ" নৱকান্ত বৰুৱাৰ ছদ্মনাম। "এখুদ ককাইদেউ", "ন ককাইদেউ" আৰু "সপোন ককা" নামেৰে বিভিন্ন কাকত- আলোচনীত লিখাৰ উপৰিও "অসম বাতৰি"ত

লিখিছিল। "ন আইতা" নামত "আজিৰ অসম"ত লিখিছিল। এই সংগ্ৰহখিনিৰ পৰাই " ন আইতাৰ কথা" নামেৰে এখন শিশু পুথিও প্ৰকাশ পাইছিল। নৰকান্ত বৰুৱাই সম্পাদনা কৰা "মৰুৱা ফুল" অসমীয়া শিশু সাহিত্যৰ সাম্প্ৰতিক যুগৰ এক গতিশীল দলিল। "মই টুনীয়ে টুন টুনালো" "গোপাল আৰু বেলিফুল" আদি গীত নাট আৰু নাটিকা শিশুৰ উপযোগীকৈ ৰচনা কৰি থৈ গৈছে। বিংশ শতিকাত অসমীয়া শিশু সাহিত্যলৈ নতুন জোঁৱাৰ আনিলে "শিয়ালী পালেগৈ ৰতনপুৰ" (১৯৫৫), "আখৰৰ জখলা" , "ভতুকাৰে ভূ", নৰকান্ত বৰুৱাৰ এই তিনিখন শিশু উপন্যাসে। নৰকান্ত বৰুৱাৰ শিশু কবিতা আৰু শিশু উপন্যাস কেইখনে শিশু সাহিত্য মানেযে কেৱল সাধু নহয়, নীতি শিক্ষা নহয়, শিশুৰ মনোজগতৰ বিচিত্ৰ ভাৱ আৰু অনুভৱ লৈওযে মনোৰম আৰু উচ্চ মানৰ শিশু সাহিত্য ৰচিত হ'ব পাৰে, সেই ধাৰা অসমীয়া শিশু সাহিত্যলৈ আনিলে। নৰকান্ত বৰুৱাৰ "মাখনৰ কুকুৰা পোৱালি" এটা মনোৰম শিশু চুটি গল্প। যুক্তাক্ষৰ বৰ্জিত এই গল্পটো প্ৰকাশ পাইছিল "জোনবাই" আলোচনীত। একেদৰে "হাঁহিৰামৰ হাঁহি", "মাখনৰ ভাটৌ", "গছ আৰু কুঠাৰ" আদি গল্পও শিশু সাহিত্যক সমৃদ্ধ কৰা একো একোটা মনোৰম গল্প। এই সময়চোৱাতে ভবেন্দ্ৰ নাথ শইকীয়াইও উৎকৃষ্ট গল্পৰে অসমীয়া শিশু সাহিত্যক টনকিয়াল কৰিছিল। তেখেতৰ "মৰম" নামৰ শিশু গল্প সংকলনখনত আছে "ঘৰুৱা সাঁথৰ", "ভয়", "মৰম" আৰু "আমি বহুত কথা নাজানো" এই চাৰিটা গল্প আৰু "ভোজ" নামৰ এখন নাটক। সৌৰভ কুমাৰ চলিহাইও সেই সময়ত শিশু উপযোগী এটা গল্প লিখিছিল। গল্পটোৰ নাম হ'ল — "সোণটি-জোনটি"। এই সময়চোৱাত চৈয়দ আব্দুল মালিক, প্ৰেম নাৰায়ণ দত্ত আদি বহুতেই শিশুৰ মনস্তত্বঃ বুজি শিশু উপন্যাস লিখিবলৈ আৰম্ভ কৰিলে। ভবেন্দ্ৰ নাথ শইকীয়াৰ "তোমালোকৰ ভাল হওক", "মৰমৰ দেউতা" আদি শিশু গ্ৰন্থই, "শান্ত শিষ্ট হিষ্ট পুষ্ট মহাদুষ্ট" আদি নাটকে অসমীয়া শিশু সাহিত্যক উচ্চ শিখৰত অৱতীৰ্ণ কৰালে।

বিংশ শতিকাৰ অসমীয়া শিশু সাহিত্যৰ কথা আলোচনা কৰিবলৈ যাওঁতে "নীলা বাইদেউ" মানে নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু সাহিত্য সম্ভাৰৰ কথা প্ৰথমেই আহিব। ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে অসমৰ অকণিহঁতৰ বাবে লিখা পুথিসমূহৰ ভিতৰত "চিল্ চিল্ চিলা, বাগী-চিল্মিলা", "অসমীয়া ওমলা গীত", "নতুন ওমলা গীত", "কথা সৰিৎ সাগৰ", "মন উৰণীয়া", "সুৰীয়া মাত" আৰু "শালিকী ৰটো টো" অন্যতম। সংকলন আৰু সম্পাদনা কৰা পুথিৰ ভিতৰত "শিশু গীতি নাট্য সংকলন" অন্যতম। ১৯৬৭ চনতে প্ৰকাশ হোৱা "চিল্ চিল্ চিলা, বাগী-চিল্মিলা" নামৰ শিশু পুথিখনে সেই বছৰতে শিশু সাহিত্যৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল। অসমীয়া শিশু সাহিত্যক গীত-মাত-নাটেৰে টনকিয়াল কৰিবলৈ প্ৰয়াস কৰা নীলা বাইদেউৱে শিশু নাট্য সাহিত্যলৈ আগবঢ়োৱা "ৰজা" আৰু "বন্ধু" নামৰ গীতি নাট দুখনে শিশু নাট্য সাহিত্যত নতুনত্ব প্ৰদান কৰিছে। ১৯৯৩ চনত গুৱাহাটীৰ প্ৰগতি প্ৰকাশনে ছপাই প্ৰকাশ কৰা নিৰ্মলপ্ৰভা বৰদলৈৰ আন দুখনি শিশু নাটিকাৰ নাম "হাঁয়, নাৰিকল পিঠা" আৰু "সেউজী সেউজী। ১৯৭৮ চনত প্ৰকাশ হোৱা নিৰ্মলপ্ৰভা বৰদলৈৰ "অসমীয়া ওমলা গীত" পুথিখনক অসমীয়া শিশু সাহিত্যৰ এখন অমূল্য সম্পদ বুলি নিসন্দেহে ক'ব পাৰি। এই সময়চোৱাতেই কেইবাখনো শিশু পুথিৰ জৰিয়তে গগনচন্দ্ৰ অধিকাৰীয়ে অসমীয়া শিশু সাহিত্যৰ ভঁড়াল টনকিয়াল কৰিছিল। তেখেতৰ "ৰ'দালি এ ৰ'দ অকন দে", "টকাত একোটা হাতী", "মাখন মামাৰ ননোৰম সাধু" আদি শিশু গ্ৰন্থই অসমীয়া শিশু সাহিত্যক এটা অতিৰিক্ত আয়তন প্ৰদান কৰিছিল। লীলা গগৈৰ "খঁৰা শিয়ালৰ বিয়া", "ৰংমনৰ কথা", কেশৱ মহন্তৰ "মা আমি শদিয়ালৈ যামেই", হীৰেন ভট্টাচাৰ্যৰ "ল'ৰা-ধেমালি", কেশদা মহন্তৰ "সেউজী ধৰণী ধুনীয়া" কৰবী ডেকা হাজৰিকাৰ "সেউজীয়া মনৰ কাহিনী" আদিয়ে শিশু সাহিত্যৰ ভেটি মজবুত কৰি ৰাখিছিল।

শিশু সাহিত্যযে ডাঙৰৰ বাবে সৃষ্ট সাহিত্যৰ সমানেই গুৰুত্বপূৰ্ণ সেই ধাৰণা প্ৰসাৰ কৰিলে বিংশ শতিকাৰ শেষৰ দশককেইটাক অসমীয়া শিশু সাহিত্যক দুৰন্ত গতি প্ৰদান কৰা শান্তনু তামুলীয়ে। ১৯৮৪ চনত শান্তনু তামুলীৰ সম্পাদনাত শিশু আলোচনী মৌচাক প্ৰকাশ হোৱাৰ পৰাই অসমীয়া শিশু সাহিত্যৰ এক ধাৰাৰ সূচনা হ'ল। শান্তনু তামুলীৰ "মানী, বাণী আৰু এখন ফুলনি", "ইলেক্‌ট্ৰনিক নামৰ ল'ৰাটো", "জোন আৰু জোনলৈ", "বনত ৰঙৰ মেলা", "বুবু-বুলবুলিৰ ফুলনি" আদি বিংশ শতিকাৰ শেষৰ দশককেইটাৰ উল্লেখযোগ্য শিশুগ্ৰন্থ। শিশু সাহিত্য বুলিলেযে কেৱল সাধু, নীতি শিক্ষা বা শিশুৰ ভাল লগা কেইটামান কবিতাই নহয় সেই ধাৰণাটো প্ৰতিপন্ন কৰিলে শান্তনু তামুলীয়ে। তেখেতৰ "টকিঅ'ত তেৰ দিন" নামৰ গ্ৰন্থখনে শিশু সাহিত্যযে উৎকৃষ্ট ভ্ৰমন কাহিনীও হ'ব পাৰে সেই বাটটো মুকলি কৰি দিলে। সহজ কথাৰে বিজ্ঞানৰ

এটা ঘটনা মনোৰঞ্জনৰ উপাদানেৰে উপস্থাপন কৰিওযে সুন্দৰ শিশু সাহিত্য ৰচনা কৰিব পাৰি সেইটোও প্ৰমান কৰি দিলে তেখেতৰ "গ্ৰহযুদ্ধ", "ডব্লিউ ডব্লিউ ডট ঘনজংঘল ডট কম" আদি শিশু গ্ৰন্থই। "শান্তনু তামূলীয়ে শিশু সাহিত্য বিবিধ ৰচনাৰে সমৃদ্ধ কৰিছে। অজস্ৰ শিশু কিশোৰ লেখক লেখিকা সৃষ্টি কৰিছে। জ্যেষ্ঠসকলকো শিশুৰ বাবে উপযোগী ৰচনা লিখিবলৈ অনুপ্ৰাণিত কৰিছে। তেওঁ লিখা "অসমীয়া শিশু সাহিত্য সমীক্ষা" প্ৰকৃততেই এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ। ২০০৯ চনৰ পৰা শান্তনু তামূলীৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় সংস্থা "ইউনিচেফ"ৰ লগতে "হেৰিটেজ আছাম"ৰ সহযোগত চাহ বাগিচাৰ শিশুসকলৰ সাধুকোৱা আৰু লিখাৰ এক প্ৰশিক্ষণৰ আয়োজন হৈছিল। চাহ বাগিচাত থকা শিশুসকলৰ ঘৰত কোৱা ভাষাটো আৰু বিদ্যালয়ত অসমীয়া ভাষাত শিক্ষা গ্ৰহণ কৰাৰ মাজত থকা ব্যৱধানটোৰ বাবে বাগিচাত জন্ম হোৱা শিশুসকলৰ ভাষা শিক্ষাৰ বাবে এক অতিৰিক্ত ব্যৱস্থা কৰাৰ প্ৰয়োজনতে "ইউনিচেফ" আৰু "হেৰিটেজ আছামে" এই উদ্যোগ লৈছিল। ইয়াৰ বাবে ডিব্ৰুগড় আৰু যোৰহাট জিলাৰ ৫০ খন চাহ বাগিচাত প্ৰতি বছৰতে ছমাহত প্ৰতি দেওবাৰে সাধুকোৱাৰ প্ৰশিক্ষণ আৰম্ভ হ'ল। প্ৰতি দেওবাৰে প্ৰতিখন বাগিচাত ৪০ জনকৈ ছমাহত ১৫০০০ শিশুৱে পৰম আগ্ৰহ আৰু তৃপ্তিৰে সাধু শুনিলে। এই সাধুকোৱা অনুষ্ঠানৰ যোগেদি কেইবাটাও উদ্দেশ্য সাধন হ'ল। বাগিচাৰ ৬/৭ বছৰৰ পৰা ১০ বছৰ পৰ্যন্ত বয়সৰ ল'ৰা ছোৱালীবোৰৰ মাজত এটা অভূতপূৰ্ব জাগৰণ হ'ল। সিহঁতে সাধু শুনিবলৈ অত্যন্ত আগ্ৰহ কৰা দেখা গ'ল। প্ৰত্যেকেই কমদিনৰ ভিতৰতে মনোৰমকৈ সাধু ক'ব পৰা হ'ল আৰু অসমীয়া ভাষাত যথেষ্ট দক্ষতা বৃদ্ধি পালে। এই কাৰ্যসূচীৰ গুৰি ধৰিছিল শান্তনু তামূলীয়ে। কেৱল সাহিত্যৰ যোগেদিয়েই নহয়, শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে শান্তনু তামূলীয়ে এগৰাকী মিছনেৰীৰ দৰে নিঃস্বাৰ্থভাৱে আৰু আন্তৰিকতাৰে কাম কৰিছিল। এই সময়চোৱাতে বন্দিতা ফুকনেও "ককাৰ জিমি", "বান আহিছিল", "সেউজী ধৰণী" আদি কেইবাখনো গ্ৰন্থৰে অসমীয়া শিশু সাহিত্যক চহকী কৰিছিল। এই সময়চোৱাতে প্ৰকাশ হৈছিল বহুতো উল্লেখযোগ্য শিশুগ্ৰন্থ। ডাঃ নগেন দত্তৰ "ভাল ভাল মানুহ আৰু ভাল ভাল কাহিনী", ভাৰতী বৰুৱাৰ "মিকুলৰ কবিতা" ড° শিৱনাথ বৰ্মনৰ "টংক মামাৰ অংকৰ সাধু", ড° দীনেশ চন্দ্ৰ গোস্বামীৰ "সংযোগ"। এই গ্ৰন্থবোৰে অসমীয়া শিশু সাহিত্যক বিংশ শতিকাৰ শেষৰ পাঁচটা দশকত সমৃদ্ধ কৰি তুলিছিল।

উনবিংশ আৰু বিংশ শতাব্দীৰ দেওনা গৰকি, পৰীক্ষা-নিৰীক্ষা আৰু বহু অভিজ্ঞতাৰে পুষ্ট হৈ অসমীয়া অসমীয়া শিশু সাহিত্যই একবিংশ শতিকাত ভৰি থৈলেহি। এই সময়চোৱাত দেখা গৈছে শিশু কবিতাতকৈ যথেষ্ট সংখ্যক শিশু গল্পহে ওলাইছে। অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠিত সাহিত্যিকসকলে এই সময়চোৱাত শিশুৰ বাবে কবিতা লিখা চকুত পৰা নাই। কিন্তু উন্নত মানদণ্ডৰ গল্প যথেষ্ট সংখ্যক প্ৰকাশ পাইছে। "অসমীয়া শিশু সাহিত্যৰ নিৰ্বাচিত চুটি গল্প"ৰ পাতনিত শান্তনু তামূলীয়ে লিখিছে — " অসমীয়া শিশু সাহিত্যৰ চুটি গল্প ৰচনাত দীৰ্ঘদিন ধৰি মনোনিৱেশ কৰা সাহিত্যিকসকলৰ ভিতৰত এলি আহমেদ, যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, কৰবী ডেকা হাজৰিকা, কেশদা মহন্ত, বন্দিতা ফুকন, ড° দীনেশ চন্দ্ৰ গোস্বামী, ভাৰতী বৰুৱা, ভূবন বৰুৱা, মদন শৰ্মা, ৰঞ্জু হাজৰিকা, নীহাৰ চৌধুৰী, ৰথীন্দ্ৰ নাথ গোস্বামী, ইন্দ্ৰকান্ত কাৰ্কী, প্ৰভাত গোস্বামী, অজন্তা, জয়শ্ৰী গোস্বামী মহন্ত, নুপুৰ মোমাইদেউ, স্বামিম নাছৰিন, ধনদা বৰুৱা চক্ৰধৰা, মহেন্দ্ৰ বৰঠাকুৰ, মহেন্দ্ৰ বৰপূজাৰী, প্ৰণামিকা অধিকাৰী, ভাস্কৰ বৰা, দেৱজিত শৰ্মা, বীণা শৰ্মা, সন্তোষ কুমাৰ কৰ্মকাৰ, অভিজিত শৰ্মা বৰুৱা, ড° তৰুণ ঠাকুৰ, ড° বন্দিতা গোস্বামী শইকীয়া, অতুল চন্দ্ৰ মহন্ত, লিখেন দত্ত, ৰাতুল শৰ্মা, দীপক কুমাৰ কলিতা, দিলীপ কুমাৰ বৰুৱা, ডাঃ নৱকৃষ্ণ মহন্ত, মৃদুস্মিতা ফুকন, অনিতা বৰুৱা, গুণমনি নাথ, যুগললোচন দাস, ফটিক হাজৰিকা, জয়ন্ত মাধৱ বৰা, অংগনা চৌধুৰী, অনুশ্ৰী শৰ্মা বৰুৱা, নিপুল চন্দ্ৰ বৰা, কাবেৰী গংগোত্ৰী, শান্তনু তামূলী আদিৰ নাম উল্লেখ কৰিব পাৰি।

মৌচাক আলোচনীত ড° কৰবী ডেকা হাজৰিকা, ভাৰতী বৰুৱা, ভূবন বৰুৱা, দিলীপ কুমাৰ বৰুৱা, ইন্দ্ৰকান্ত কাৰ্কী, শান্তনু তামূলী, বন্দিতা ফুকন, অভিজিত শৰ্মা বৰুৱা, যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, জয়শ্ৰী গোস্বামী মহন্ত, মহেন্দ্ৰ বৰপূজাৰী, ড° তৰুণা ঠাকুৰ, সন্তোষ কুমাৰ কৰ্মকাৰ, ৰথীন্দ্ৰ নাথ গোস্বামী, স্বামীম নাছৰিন, দেৱজিত শৰ্মা, ডাঃ নৱকৃষ্ণ মহন্ত, কেংছাম কেংলাং, ৰাতুল শৰ্মা, প্ৰভাত গোস্বামী, জয়ন্ত মাধৱ বৰা, অজন্তা, লিখেন দত্ত, ধনদা বৰুৱা চক্ৰধৰা, অংগনা চৌধুৰী, মৃদুস্মিতা ফুকন, দীপক কুমাৰ কলিতা, গুণমনি নাথ, হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি আদি গল্পকাৰসকলৰ প্ৰকাশিত চুটিগল্পই অসমীয়া শিশু চুটিগল্পৰ ধাৰা সমৃদ্ধ কৰিছে" —(অসমীয়া শিশু সাহিত্যৰ নিৰ্বাচিত চুটি গল্প — শান্তনু তামূলী)।

"সমসাময়িক অসমীয়া শিশু সাহিত্য ৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো সমাদৃত হৈছে। শিশু আলোচনী মৌচাকৰ উদ্যোগত ২০০০ আৰু ২০০৮ চনত নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়াৰ সৌজন্যত অসমীয়া ভাষাত শিশু পাঠকৰ বাবে গল্প-উপন্যাসৰ পাণ্ডুলিপি ৰচনাৰ দুটাকৈ কৰ্মশালা অনুষ্ঠিত হৈছিল। কৰ্মশালাত অংশগ্ৰহণকাৰী প্ৰতিষ্ঠিত শিশু-সাহিত্যিকসকলে প্ৰস্তুত কৰা কেইবাখনো পাণ্ডুলিপি পৰৱৰ্ত্তীসময়ত চিত্ৰশোভিত হৈ কিতাপ আকাৰে প্ৰকাশ পাইছে। প্ৰথমখন কৰ্মশালাত ৯-১৩ বছৰ বয়সৰ শিশু আৰু দ্বিতীয়খন কৰ্মশালাত ৬-৮ বছৰ বয়সৰ শিশু উপযোগী গল্পৰ পাণ্ডুলিপি প্ৰস্তুত কৰা হৈছিল। উল্লেখ্য যে, উক্ত কৰ্মশালাত প্ৰস্তুত কৰা আৰু অসমীয়া ভাষাত প্ৰকাশ পোৱা কিৰণ তামুলীৰ "অপৰাজেয়", ৰাতুল শৰ্মাৰ "ভূত", দিলীপ কুমাৰ বৰুৱাৰ "ঢেকীয়াপতীয়াৰ নাচ", নৰকৃষ্ণ মহন্তৰ "অপুৰ কাহিনী", গুণমনি নাথৰ "বিপদৰ বন্ধু", শক্তিৰূপা পৰাশৰৰ "বন বন নামৰ গঁড় পোৱালীটো", দীপক কুমাৰ কলিতাৰ "মৰমৰ বন্ধু" আৰু কেংছাম কেংলাঙৰ "আইৰ সমান হ'ব কোন?" প্ৰকাশ পায়। এই পুথিসমূহৰ বেছি ভাগেই ইংৰাজীকে ধৰি ভাৰতীয় বিভিন্ন ভাষালৈ অনুদিত হৈছে। শান্তনু তামুলীৰ "বনত ৰঙৰ মেলা" আৰু "বুবু বুলবুলিৰ ফুলনি" নামৰ শিশু গল্প পুথি দুখনো অসমীয়া ভাষাৰ উপৰি ইংৰাজী ভাষা আৰু ভাৰতৰ বিভিন্ন ভাষাত নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়াই প্ৰকাশ কৰিছে। নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়াই বন্দিতা ফুকনৰ "ককাৰ জিমি", শশীপ্ৰভা দাসৰ "পাপুৰ পয়মাল" আৰু নিহাৰীকা চৌধুৰীৰ "মামু নামৰ দুষ্ট ছোৱালীজনী" নামৰ গল্প পুথিকেইখনো অসমীয়া আৰু অন্যান্য ভাষাত প্ৰকাশ কৰিছে" —(অসমীয়া শিশু সাহিত্যৰ নিৰ্বাচিত চুটি গল্প — শান্তনু তামুলী)। এই সময়চোৱাতে জয়ন্ত মাধৱ বৰাই শিশুৰ উপযোগীকৈ "নেপোলিয়ন", "চি ভি ৰমণ", "চাৰ্লি চেপ্‌লিন" "এডিচন", "হিটলাৰ", "লক্ষ্মীনাথ বেজবৰুৱা", "জয়মতী" ৰ জীৱনৰ ভিত্তিত জীৱনীমূলক উপন্যাস লিখে শিশুৰ বাবে। এই উপন্যা কেইখনে পাঠকৰ যথেষ্ট সমাদৰ লাভ কৰিছিল। অসমৰ বাৰজন বৰেণ্য সাহিত্যিকৰ ল'ৰালিৰ কথাবোৰ "ল'ৰালি কালৰ কথা" নাম দি জয়ন্ত মাধৱ বৰাই সম্পাদনা কৰিছিল। ইয়াৰ উপৰিও এ পি জে আব্দুল কালামৰ শিশুৰ বাবে লিখা গ্ৰন্থ এখনো জয়ন্ত মাধৱ বৰাই "তুমি বিজ্ঞানী হ'ব খোজা নেকি" নামেৰে অনুবাদ কৰিছিল।

শিশু আলোচনীসমূহেও অসমীয়া শিশু সাহিত্যক সমৃদ্ধ কৰি আহিছে। "ল'ৰা বন্ধু"ৰ পৰা "বাৰ-ওঠৰ"লৈকে যিমান শিশু আলোচনী ওলাল, তাৰ বহুতৰে প্ৰকাশ বন্ধ হ'ল যদিও প্ৰত্যেকখনেই কেইবাটাও দিশত ইতিবাচক বাৰ্তা বহন কৰে। এই শিশু আলোচনীসমূহৰ ইতিহাসেই দৰাচলতে অসমীয়া শিশু সাহিত্যৰো ইতিহাস। এই আলোচনীসমূহে শিশু সাহিত্যৰ এটা ভেটি তৈয়াৰ কৰিলে। য'ৰ পৰা সৃষ্টি হ'ল বাচকবনীয়া অসমীয়া শিশু সাহিত্য সম্ভাৰ। "ল'ৰা বন্ধু"ৰ পৰা "বাৰ-ওঠৰ"লৈকে প্ৰত্যেকখন আলোচনীয়েই একোটা নিজস্ব শৈলীৰে অসমীয়া শিশু সাহিত্যক সমৃদ্ধ কৰিছে আৰু কৰি আছে। এই আলোচনীসমূহক বাদ দি অসমীয়া শিশু সাহিত্যৰ আলোচনা অসম্ভৱ। প্ৰতিখনেই অসমীয়া শিশু সাহিত্যক স্তিমিত হ'বলৈ নিদি গতি প্ৰদান কৰি আহিছে। প্ৰতিখন আলোচনীয়েই এচাম লেখক লেখিকাৰ জন্ম দিছে। সাধাৰণতে ডাঙৰৰ বাবে লিখা প্ৰথিতযশা সাহিত্যিকসকলে শিশুৰ বাবে লেখা সততে চকুত নপৰে। নৰকান্ত বৰুৱা আৰু ভবেন্দ্ৰ নাথ শইকীয়া ব্যতিক্ৰম। এই আলোচনীসমূহে শিশুৰ বাবে লিখা কিছু সাহিত্যিকৰ সৃষ্টি কৰিলে। এই আলোচনীসমূহে শিশুসকলৰ বৌদ্ধিক বিকাশ ঘটালে। কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ জন্মালে। এই আলোচনীসমূহত লিখিবলৈ আৰম্ভ কৰা বহু শিশু পিছৰ পৰ্যায়ত এগৰাকী বলিষ্ঠ সাহিত্যিকৰূপে পৰিগনিত হৈছে।

২০১০ চনৰ পৰা সাহিত্য অকাডেমিয়েও অসমীয়া ভাষাত বাল-সাহিত্য পুৰস্কাৰ প্ৰদান কৰিবলৈ আৰম্ভ কৰিলে। সেই অনুসৰি ২০১০ চনত গগন চন্দ্ৰ অধিকাৰীয়ে, ২০১১ চনত বন্দিতা ফুকনে, ২০১২ চনত শান্তনু তামুলীয়ে, ২০১৩ চনত তোষপ্ৰভা কলিতাই, ২০১৪ চনত ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে, ২০১৫ চনত এলি আহমেদে, ২০১৬ চনৰত হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিয়ে, ২০১৭ চনত হৰেন্দ্ৰ নাথ বৰঠাকুৰে আৰু ২০১৮ চনত যুগল লোচন দাসে শিশু সাহিত্যৰ বাবে অসমীয়া ভাষাত সাহিত্য অকাডেমীৰ বাল সাহিত্য পুৰস্কাৰ লাভ কৰিছে।

*(স্বাভাৱিকতেই মোৰ সীমিত অধ্যয়ন আৰু কষ্ট নকৰাৰ বাবে এই নিৱন্ধটোত বহু শিশু সাহিত্যিক আৰু শিশু সাহিত্যৰ নাম বাদ পৰি গৈছে। তাৰবাবে মই ক্ষমাপ্ৰাৰ্থী। কিন্তু শিশু সাহিত্যৰ এটি বিস্তৃত আলোচনাৰ বাবে এই নিৱন্ধটো এটা আৰম্ভনী হওঁক বুলিয়েই নিৱন্ধটো লিখা হৈছে। — লেখক)*

# শব্দ সংখ্যা

✍ ড০ ৰামচন্দ্ৰ ডেকা
অৱসৰপ্ৰাপ্ত অধ্যাপক
গণিত বিভাগ

কোৱা হয় শব্দই ব্ৰহ্ম। সেই শব্দকে ব্ৰহ্মাৰ সৃষ্টি সংখ্যা বুজাবলৈ ব্যৱহাৰ হয়। অৱশ্যেই এক কলাত্মক কায়দাৰে। সংখ্যাৰ বিষয়ে শিকাৰ লগত সভ্যতা সংস্কৃতিৰ সৈতে সম্পৰ্ক থকা কেতবোৰ শব্দই, গতিময়তা লাভ কৰে। যেনে- চন্দ্ৰ, সূৰ্য, পৃথিৱী আদি অদ্বিতীয়। সেয়ে -

১। চন্দ্ৰ (সমাৰ্থক, শশী, ইন্দু, কলাধাৰ, শীতাংশু, হিমাংশু, সোম, শশাংক, মৃগাঙ্ক, হিমকৰ, সুধাংশু, ৰজনীকৰ, শশধৰ) সূৰ্য্য (সমাৰ্থক ৰবি, অৰ্ক, দিনকৰ) পৃথিৱী (ভূ, ভূমি, ক্ষিতি, ধৰা, উৰ্বৰা, বসুন্ধৰা, ধৰণী, বসুধা, মহী) আদি। বিভ,ক্ষাপাকাৰ, প্ৰলয়াংশু, (অজ্ঞ, গো, ক্ষমা, ইলা, কু, ৰূপ, পিতামহ, নায়ক, তনু)।

২। যম, যামল, অশ্বিন, নাসত্য, দস্ৰ, লোচন, (নেত্ৰ, অক্ষি, চক্ষু, নয়ন,) পক্ষ, অম্বক, ইক্ষণ, বাহু, কৰ, কৰ্ণ, কুচ, অস্থ, গুলফ্, জানু, জংঘা, দ্বয়, দ্বন্দ, যুগল, যুগ্ম, অয়ন, কুটুম্ব, ৰৱিচন্দ্ৰৌ, নয়ন।

৩। ৰাম (পৰশু-হলি-শ্ৰী), গুণ, ত্ৰিগুণ (সত্ত্ব, ৰজঃ তমঃ), লোক, (ত্ৰিজগত, ভুৱন), কাল, ত্ৰিকাল, ত্ৰিগত, ত্ৰিনেত্ৰ, হৰনেত্ৰ, সহোদৰঃ, অগ্নি (সমাৰ্থক অনল, বহ্নি, পাৱক, দহন, হতাশন, জ্বলন, বৈশ্বানৰ), কৃষাণু, হোত্ৰ, পুৰ, ৰত্ন (কেৱল মহাবীৰাচাৰ্য ৩ বুজাইছিল, অন্যত ইয়াৰ অৰ্থ ৫)।

৪। বেদ (শ্ৰুতি), সমুদ্ৰ (সমাৰ্থক-সাগৰ, জলধি, জলনিধি, সলিলাকাৰ, বাৰিধি, পয়োধি, পয়োনিধি, অম্বধী) অব্ধি, উদধি, বিশনিধি, কেন্দ্ৰ, বৰ্ণ (বৰ্ণ ৪ - ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ), আশ্ৰম (ব্ৰহ্মচৰ্য্য গাৰ্হস্থ্য, সন্যাস, বাণপ্ৰস্থ), যুগ (সত্য ত্ৰেতা দ্বাপৰ কলি), তুৰ্য্য, কৃত, অয়, দিশ, বন্ধু, কোষ্ঠ, গতি, কৰ্শায়....

৫। বাণ (কামদেৱৰ পাঁচ শৰ), শৰ, শস্ত্ৰ, সায়ক, ইশু, ভূত, (ক্ষিতি অপ তেজ মৰৎ ব্যোম) পৰ্ব, প্ৰাণ, পৱন, পাণ্ডৱ, অৰ্থ, বিষয়, মহাভূত, তত্ত্ব, ভাৱ, ইন্দ্ৰিয় (পাঁচবিধ), ৰত্ন, ব্ৰত, কৰণীয় (জৈনসকলৰ পাঁচটা কৰণীয় অহিংসা, সুনৃত; অস্তেয়, ব্ৰহ্মাচৰ্য্য, অপৰিগ্ৰহ)।

৬। ৰস, অঙ্গ, কায়, ঋতু, মাসাৰ্দ্ধ, দৰ্শন, ৰাগ, অৰি, শাস্ত্ৰ, তৰ্ক, কাৰক, লেখ্য, দ্ৰব্য, খৰ, সন্মুখ।

৭। অগ, নগ, ভুত্ৰিৎ, পৰ্বত (সমাৰ্থক শৈল, অচল, গিৰি) অদ্ৰি, ঋষি (সমাৰ্থক মুনি, য়তি), বাৰ স্বৰ, অশ্ব (সমাৰ্থক তুৰগ, ৰাজি, হয়)

ছন্দ ঃ, ধী, কলত্ৰ, তত্ত্ব, দ্বীপ, পন্নগ, ব্যসন

৮। বসু, অহি, নাগ, গজ (সমাৰ্থক দন্তি, দ্বিবদ, দিগ্গজ, হস্তী, মাতঙ্গ, কুঞ্জৰ), পুষ্কৰিণ, সিন্ধু, সৰ্প, তক্ষ, সিদ্ধি, ভূতি, অনুস্তুভ, মঙ্গল। অনীক, দুৰিত, দিক্।

৯। অংক, নন্দ, নিধি, গ্ৰহ, ৰন্ধ্ৰ (সমাৰ্থক দ্বাৰ ছিদ্ৰ, মানুহৰ শৰীৰত মুঠ থকা ছিদ্ৰ), উপেন্দ্ৰ, কেশৱ, তাৰ্ক্ষ্যধ্বজ, দুৰ্গা, লব্ধ, লব্ধি।

১০। দিশ (সমাৰ্থক দিক, দিশা), আশা, অঙ্গুলী, পংক্তি, কুকুভ, ৰাৱণশিৰ, অৱতাৰ, কৰ্মন্।

১১। ৰুদ্ৰ, ঈশ্বৰ, মৃদ, হৰ, ঈশ, ভৱ, ভৰ্গু, শূলী, মহাদেৱ, অক্ষৌহিণী।

১২। ৰবি (সমাৰ্থক সূৰ্য্য, অৰ্ক, মাৰ্তণ্ড, দ্যুমণি, ভানু, আদিত্য, দিৱাকৰ), মাস, ৰাশি, ব্যায় ইত্যাদি।

১৩। বিশ্বেদেৱাঃ, বিশ্ব, কাম, অতিজগতী, অঘোষ।

১৪। মনু, বিদ্যা, ইন্দ্ৰ, শত্ৰু, লোক (ভুৱন-চৈধ্য ভুবন)।

১৫। তিথি, ঘস্ৰা, দিন (অহন্), পক্ষ।

১৬। নৃপ (সমাৰ্থক ভূপ, ভূপতি) অষ্টি, কলা।

সেইদৰে ১৭। অতিষ্ঠ, ১৮। ধৃতি, ১৯। অতিধৃতি, ২০। নখ, কৃতি, ২১। উৎকৃতি, প্ৰকৃতি, স্বৰ্গ, ২২। কৃতি, ২৩। বিকৃতি, ২৪। গায়ত্ৰী, জিন, অৰ্হতা, সিদ্ধ, ২৫। তত্ত্ব, ২৭। নক্ষত্ৰ, উৰু, ভ; ৩২। দন্ত, ৩৩। দেৱ (সমাৰ্থক অমৰ, ত্ৰিদশ, সুৰ) ৪৮। জগতি ইত্যাদি।

(ৰন্ধ্ৰ শব্দটোৰ অৰ্থ হ'ল ফুটা। শূন্যৰ প্ৰতীক ০ ৰ গুৰিতে ৰন্ধ্ৰই নেকি?)

০ শূন্য, খ (সমাৰ্থক গগন, অম্বৰ, আকাশ, নভ, অভ্ৰ, বিয়াত, ব্যোম, অন্তৰীক্ষ, জলধৰ, পথ, পূৰ্ণ, ৰন্ধ্ৰ, বিষ্ণুপদ অনন্ত।

এই সংখ্যাত্মক নামবোৰৰ পহিলা বৰ্ণন পাওঁ শত পথ ব্ৰাহ্মণ আৰু তৈত্তিৰীয় ব্ৰাহ্মণত।

এই সংখ্যাত্মক নামবোৰৰ ব্যৱহাৰ সঘন নাছিল। কেৱল নান্দনিক কাৰ্য্যৰূপে চাগে নামবোৰ বনাই গৈছিল।

বৰ বৰ সংখ্যাবোৰ লিখিছিল/ মাতিছিল কেনেকৈ? *অংকাণাম্ বামতো গতি ঃ* অংকবোৰ বাওঁপিনৰ পৰা সোঁপিনলৈ পঢ়ি লিখি যাব লাগে। পৌলিশ সিদ্ধান্তত উদ্ধৃত এক সংখ্যা — খ (০) খ (০) অষ্ট (৮) মুনি (৭) ৰাম (৩) অশ্বি (২) নেত্ৰ (২) অষ্ট (৮) শৰ (৫) ৰাত্ৰি (১) ১৫৮২২৩৭৮০০

অৱশ্যে 'অংকাণাং বামতো গতি' সূত্ৰ সকলোৱে নামানিছিল। যিহেতু একেতা সংখ্যা বুজোৱা একাধিক শব্দ আছে, গতিকে সংখ্যা ৰচাত তাৰ চয়ন কেনেদৰে হ'ব? তেওঁলোকে হয়তো সংখ্যাটো পোনতে লিখি লৈ আৰু তাৰ পিছত সিহঁতক বুজোৱা শব্দ এনেদৰে নিৰ্বাচন কৰে যাতে সংখ্যাটোৰ উচ্চাৰণ সুললিত পোনতে লিখি লৈ আৰু তাৰ পিছত সিহঁতক বুজোৱা শব্দ এনেদৰে নিৰ্বাচন কৰে যাতে সংখ্যাটোৰ উচ্চাৰণ সুললিত অথবা সহজে মনত ৰৈ যোৱা বিধৰ হয়। আমাৰ এই অনুমান মতে সংখ্যাত্মক শব্দৰ পূৰ্বে আৱিষ্কৃত হৈছিল সংখ্যা লিখা চিনবোৰ। এই বিষয়ে অলপ পাছে পৰে আৰোচনা কৰিম।

দশমিক সংখ্যা প্ৰণালীৰ *'বিস্ময় বালক'* হ'ল শূন্য (০) আৰু ইয়াক বুজোৱা চিহ্ন '০'। আমি দেখিছো যে মহাভাৰতৰ যুদ্ধত সৈন্য সংখ্যা 'অক্ষৌহিণী'ৰে প্ৰকাশ কৰা হৈছিল, যদিও সংখ্যাবোৰ অংকৰে (*digit*) লিখা হোৱা নাছিল। এক অতি বৃহৎ সংখ্যা অক্ষৌহিণী। কোনোবা এটা সময়ত সংখ্যা লিখা অংকবোৰৰ ৰচনা হ'ল। কিন্তু শূন্যৰ বাবে 'শূন্য স্থান' দুই অংকৰ মাজত ৰখা হ'ল। পিছলৈ সেই ৰিক্তস্থানত এটা ফোঁট আৰু সেয়ে সময়ত ০ আকৃতি ল'লেগৈ। একেবাৰে সাধাৰণ অনুমান নিৰ্ভৰ যুক্তি। কিন্তু আকৃতিটোৰ মান্যতা কেতিয়াৰ পৰা অথবা কাৰ পৰা হ'ল তাক ঠাৱৰ কৰা টান আৰু অপ্ৰয়োজনীয়। এইটো ঠিক যে ০ প্ৰতীকৰ আৱিষ্কাৰ ভাৰতভূমিয়ে। ইয়াৰ ওৰ বিচাৰি দূৰলৈ যাব নালাগে। ভাৰতৰ বৰ্ণমালা সংস্কৃত আৰু তাৰ পৰা উদ্ভূত প্ৰান্তীয় ভাষাৰ প্ৰতি বৰ্ণতে ০ এটা আছেই। যেনে, ক, খ, গ, ঘ, ঙ তো চাৰিটাত শূন্য আছে। সেইদৰে অন্য বৰ্ণতো অন্য প্ৰান্তীয় ভাষাৰ বৰ্ণতো।

ভাৰতত "দশাংক সংখ্যা প্ৰণালীৰ উদ্ভাৱন" বিষয়ক ড০ বিভূতি ভূষণ দত্তই (ড০ দত্ত) ইংৰাজী আৰু বেঙ্গলী ভাষাত অনেক প্ৰবন্ধ লেখিছে। প্ৰতিষ্ঠা কৰিছে এক ঐতিহাসিক সত্য যে উক্ত সংখ্যা প্ৰণালীৰ জন্মভূমি ভাৰতবৰ্ষ আৰু শূন্য সমন্বিতে 'দশ-অংক'ৰো মূল ৰচনা ভাৰতবৰ্ষৰে। হিন্দু মনীষাৰ মালা এই সংখ্যা প্ৰণালী। তেখেতে দহ বছৰৰো অধিক কাল গৱেষণা কৰি লিখিলে *The History of Hindu Mathematics* দুই খণ্ড (প্ৰথম খণ্ডৰ পৰা প্ৰকাশ ১৯৩৫ লাহোৰ। সহযোগী ড০ অৱধ নাৰায়ণ সিংহ) তেখেতৰ অন্য এখন মূল্যবান গৱেষণা গ্ৰন্থ The Science of Sulba Sutra। তেখেতৰ প্ৰবন্ধ কেইটামানৰ বিষয়ে উল্লেখ কৰাটো সমীচীন হ'ব; লগতে তেখেতৰ গৱেষণাৰ বিষয় আৰু মানক (Standard) ৰ আভাস পোৱা যাব।

i) A note on the Hindu, Arabic Numerals' - Amer Math, Manual, Vol.33 (1926)

ii) Early Literary Evidence of the use of the "Zero in India" Amer. Math. Man. Vol 33 (1926) P. 449-54.

iii) The Present mode of expressing Numbers. Ind. Hist. Quart. Vol. 3 (1927).

iv) Early Literary Evidence of the use of the Zero in India (2nd Article)". Amer. Math. Man. Vol. 38 (1931).

v) Early History of the Principle of Place Value' Scientia, July, 1931.

vi) Testimony of Early Arab Writers on the origin of our Numerals" Bull. Cal. Math. Soc. Vol. 24 (1932).

সাহিত্য পৰিষৎ পত্ৰিকাত প্ৰকাশিত প্ৰবন্ধ

vii) মহাভাৰতে দশাঙ্ক সংখ্যা (১৩৪১ বঙ্গাব্দ)

viii) মহাভাৰতে স্থানীয় মান তত্ত্ব (১৩৩৬ বঙ্গাব্দ)

ix) শব্দ সংখ্যা প্ৰণালী (১৩৩৫ বঙ্গাব্দ)

x) অক্ষৰ সংখ্যা প্ৰণালী (১৩৫৬ বঙ্গাব্দ)

xi) নাম সংখ্যা (১৩৩৭ বঙ্গাব্দ)

xii) জৈন সাহিত্য নবম সংখ্যা (১৩৩৭)

xiii) অঙ্কানাং বামতো গতি (১৩৩৭)

ভাৰতীয় গণিত ইতিহাস অধ্যয়নৰ এক অবিচ্ছেদ্য অংগই হৈ পৰিল ড০ দত্তৰ নাম আৰু কাম। সেয়ে তেখেতৰ ধামৰ বিষয়ে জানি থ'লে ভাল লাগিব। তেখেতৰ জীৱন গণিত মেধা আৰু আধ্যাত্ম চিন্তাৰ বিচিত্ৰ সংযোগ। আজিৰ বাংলাদেশৰ চিটাগং (প্ৰাচীন চট্টগ্ৰাম) জিলাৰ কানুনগো পাৰা গাঁৱত জন্ম (২৭ জুন, ১৮৮৮ খ্ৰী)। পিতৃ-মাতৃ ৰসিক চন্দ্ৰ দত্ত আৰু মুক্তাকেশী দত্ত।

১৯০৭ খ্ৰীষ্টাব্দত মেট্ৰিক আৰু ১৯০৯ খ্ৰীষ্টাব্দত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত (প্ৰেচিডেন্সি কলেজ) পৰা বৃত্তিসহ আই এছ চি, পিছত অনাৰ্চ সহ বি এছ চি আৰু ১৯০৪ চনত প্ৰথম শ্ৰেণীত এম এছ চিত উত্তীৰ্ণ হয় আৰু অতি সন্মানীয় প্ৰেমচান্দ ৰায়চান্দ বৃত্তিৰ অধিকাৰী হয়। কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত (প্ৰেচিডেন্সি কলেজ) পৰা বৃত্তিসহ আই এছ চি, পিছত অনাৰ্চ সহ বি এছ চি আৰু ১৯০৪ চনত প্ৰথম শ্ৰেণীত এম এছ চিত উত্তীৰ্ণ হয় আৰু অতি সন্মানীয় প্ৰেমচান্দ ৰায়চান্দ বৃত্তিৰ অধিকাৰী হয়। কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য চাৰ আশুতোষ মুখাৰ্জী (তেখেতো এগৰাকী মুধফুটা গণিতজ্ঞ আৰু আইনজীৱী) য়ে দত্তক বিশ্ববিদ্যালয়ত শিক্ষক কৰি দিয়ে। (এইজনা উপাচাৰ্যই কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষাক বিষয় হিচাবে স্থান দিছিল; শিক্ষক নিয়োগ কৰিছিল তীৰ্থনাথ শৰ্মাক পিছলৈ পণ্ডিত তীৰ্থনাথ শৰ্মা আৰু গুৱাহাটীৰ প্ৰাগজ্যোতিষ কলেজৰ অধ্যক্ষ)। ১৯২১ চনত দত্তই কলিকতা বিশ্ববিদ্যালয়ৰপৰা ডি এছ চি (ডক্তৰ অব্ চায়েন্স) সন্মান লাভ কৰে।

সেই সময়ৰ এগৰাকী বিখ্যাত গণিতজ্ঞ ড০ গণেশ প্ৰসাদে কলিকতা বিশ্ববিদ্যালয়ত ১৯৩২ চনত "হাৰ্ডিঞ্জ প্ৰফেচাৰ" ৰূপে যোগদান কৰে। ড০ প্ৰসাদে ড০ দত্ৰ মনীষা চিনি পালে আৰু ড০ দত্তক অধ্যয়নৰ দিশ নিৰ্দেশ কৰিলে। তাৰ ফলত আমি পালে আমাৰ ঐতিহ্যৰ গণিতৰ অনেকানেক মণিমুকুতা, ১৯২৯ অত ড০ দত্তই বিশ্ববিদ্যালয়ৰ চাকৰি স্বেচ্ছাই এৰি দি জীৱনৰ চাৰি আশ্ৰমৰ শেহৰ 'সন্ন্যাস' গ্ৰহণ কৰে আৰু 'বিদ্যাৰণ্য' নামেৰে ৰাজস্থানৰ পুষ্কৰ হ্ৰদৰ পাৰত ধ্যানত নিমগ্ন হ'ল। মাজতে এবাৰ মাথো স্বগৃহলৈ আহিছিল আৰু ১৯৩৩ ত পুনৰবাৰ পুষ্কৰলৈ ঘ'ল আৰু তাত তেখেতে নশ্বৰদেহ এৰে।

ড০ দত্তই স্পষ্টকৈ কৈছে যে পিঙ্গল মুনিয়ে (২০০ খ্ৰীপূব আগৰ) তেওঁৰ "ছন্দঃসূত্ৰ" গ্ৰন্থত শূন্য প্ৰতীকটো ব্যৱহাৰ কৰিছিল আৰু সেয়ে শূন্যৰ প্ৰতীকৰ আৰম্ভণি। চমুকৈ শূন্য প্ৰতীকৰ উত্তৰণ এনে ধৰণৰ — দুই অংকৰ মাজৰ্ দং ঠাই, সময়ত সেই উদং ঠাইত এটা ফুট আৰু সেয়ে শেহত গৈ আধুনিক বৃত্তাকাৰ শূন্য চিহ্ন। জীৱনৰ কচু পাতৰ পানী বুলি কোৱা জনেই হয়তো পানী টোপালটোৰ গোলাকাৰ আকৃতিৰ পৰা শূন্যৰ প্ৰতীক পাই গ'ল। কোনে জানে? ড০ দত্তই আৰু অন্য গৱেষকৰো মত এয়ে। সময় নিৰূপণ হ'ল কিন্তু ৰচক অনিৰূপিত (অনিৰ্ণ্ণেয় ?) হৈ ৰ'ল।

তেনে আধুনিক ৰূপৰ শূন্য (০) টো আমি পাওঁ পিঙ্গলৰ ছন্দঃ সূত্ৰত। কবিতা বা গীত লিখাৰ স্বৰৰ কিছু নিয়ম াছে, সেইমতে নাম আছে। নামানুসাৰে প্ৰতি পংক্তিত আখৰৰ সংখ্যা নিৰ্দিষ্ট আছে। আকৌ উচ্চাৰণ অনুসাৰে স্বৰক দুভাগত, লঘু (ল) আৰু গুৰু (গু) ভাগ কৰা হয়। পিঙ্গলে এতিয়া গামিতিক প্ৰশ্নটো দিলে, $n$ স্থানত ল আৰু গু ক কিমান প্ৰকাৰে সজাব পাৰি, যদি পুনৰাবৃত্তিত বাধা নাথাকে। তেওঁ তাকে কৰি দেখুৱালে এনেদৰে। 'গায়ত্ৰী' মন্ত্ৰ 'গায়ত্ৰী' ছন্দত ৰচিত। ইয়াৰ স্বৰ ৬ টা (ল, গু মিলি)।

বিষয়টোৰ বিস্তাৰ নহ'ল। অৱশ্যে আমাৰ স্বাৰ্থ শূন্য (০) ৰ ব্যৱহাৰত। তেন্তে পিঙ্গলেই সন্যক আধুনিক ৰূপ দিয়াৰ কাৰিকৰ। গণনাৰ অন্য এটা অংকৰ সৈতে চামিল হ'বলৈ ০ ৰ চাগৈ কেইবা শতিকা লাগিছিল। এইটো খাটাংকৈ খ'ব নোৱাৰা কথা। ভাৰতৰ যিকোনো তত্ত্বৰ আৰম্ভণিৰ সময়, ৰচকৰ সময়, জনা কঠিন; কিয়নো তেওঁলোকে সেইবোৰক তুচ্ছজ্ঞান কৰিছিল; ধ্যান দিছিল জ্ঞানত। একে কাৰণতে নটা অংকৰ জন্মৰ বিষয়ে কোৱা কঠিন। ঋকবেদৰ এটা শ্লোক (*X,* 62-7) ৰ এক অংশ হ'ল "*সহস্ৰম মে দদাতু অষ্টকৰ্ণতাঃ*" (গৰুৰ জাকৰ পৰা মোক এহেজাৰ গৰু দিয়া, যিবিলাকৰ কাণত আঠ আৰু তাৰ আগৰ সাতটা, পাছৰ এটা মুঠ ৯ টা অংক তেতিয়াই তৈয়াৰ হৈছিল। আমাৰ প্ৰাচীন পূৰ্ব পুৰুষসকলে সংখ্যা একোটা পঢ়াৰ কিটিপলৈ চাই অনুভৱ তেওঁলোকে পহিলা চাৰিটা প্ৰক্ৰিয়াৰ বিষয়ে জ্ঞাত আছিল (অৱশ্যে সিহঁতৰ বাবে 'চিহ্ন' প্ৰয়োগ কৰাৰ চিন নাই)।

উদাহৰণ

১৯ = ঊন বিংশ, একান্ন বিংশতি (২০ অতকৈ ১ কম, বিয়োগ প্ৰক্ৰিয়া)

১৯ = নৱদশ (৯ আৰু ১০ যোগ প্ৰক্ৰিয়া)

২৯ = একোন ত্ৰিংশতি, ঊনত্ৰিংশ (ঊনত্ৰিশ)

৯৯ = নৱ নৱতি (৯+৯০, ঋকবেদৰ শব্দ)

২৭ = ত্ৰিনৱক (৩ X ৯, পূৰণ)

১২ = দ্বিষট্ (২ X ৬, পূৰণ)

১৩৯ = চত্বৰিংশৈচেকোন শতাধিক (৪০+১০০-১)

২৯৭ = ত্ৰিহীনস্য শতত্ৰয়স্য (৩ কম ৩০০ অৰ)

৩৩৩৯ = ত্ৰিণি শতানি ত্ৰিসহস্ৰানি ত্ৰিংশ চনৰ চ। (ঋকবেদ, তিনিশ আৰু তিনি হাজাৰ আৰু ত্ৰিছ আৰু ন)

শেহৰ উদাহৰণটোত শ বুজোৱা শব্দ সহস্ৰৰ াগত বহিল। সংখ্যাৰ ওপৰত দখল াৰু কাব্যিক চিত্তবৃত্তিৰ সমাহাৰ আছিল সংখ্যাৰ পঠনত। স্ফূৰ্তিয়ক লোক আছিল আমাৰ পূৰ্বজ সকল।

সংখ্যা বুজোৱা আখৰ (অংক) পহিলাতে লিখিত ৰূপত ক'ত পোৱা গৈছিল? মহেঞ্জোদাৰুৰ এক শিলাখণ্ডত। তাত ১ অৰ পৰা ১৩ লৈ দাগ কাটি (আধুনিক টেলিমাৰ্কৰ দৰে) সংখ্যা লিখাৰ আভাস পোৱা গৈছে। মেগাস্থিনিচ য়ে তেওঁৰ ভ্ৰমণকাহিনী (*Indika*) ত লিখিছে যে নিৰ্দ্দিষ্ট দূৰে দূৰে পথৰ দাঁতিত তেওঁ মাইলৰ কৰুটি দেখিছিল। তাত দূৰত্ব সূচক সংখ্যা লিখা আছিল। কৌটিল্যৰ অৰ্থসাস্ত্ৰত হিচাপ ওন্দ্ৰাৰ পদ্ধতি (*Book Keeping*) কে দেখুওৱা ছ। কুশান বংশ (প্ৰথম দ্বিশতিকা)ৰ ৰাজত্বকালত সংখ্যা লিখন পদ্ধতি আছিল।

সম্ৰাট অশোক (৩০০ খ্ৰী. পূ.)ৰ শিলালিপিত অংক লিখা আছিল। তেওঁৰ দিনত ভাৰতত প্ৰচলিত লিপি আছিল ব্ৰাহ্মী লিপি। উত্তৰ ভাৰতত এই লিপিৰ প্ৰৱেশ ঘটে, গ্ৰীচৰ পৰা। সম্ৰাট দাৰিয়াচ (*Darius 500*) খ্ৰী) য়ে পাঞ্জাৱ অধিকাৰ কৰিছিল। তেওঁৰ লগতে অহা পণ্ডিতে (আক্ৰমণকাৰীৰ সৈতে জানান্বেষী লোক অহাটো এটা চলি থকা প্ৰাচীন পৰম্পৰা) খৰোস্তি লিপি ইয়ালৈ আনে; পিছত দুয়োবিধৰ সংযোজন ঘটে কোনো এক সময়ত কোনো এক প্ৰয়োজনত। এই সংযোগৰ ফলত সম্ৰাট অশোকলিপিত ব্ৰাহ্মী লিপিৰ টগঢ়ৰ পৰিবৰ্তন লক্ষ্য কৰা যায়। এই পৰিবৰ্ত্তনত ৰূপ হে বদলিছিল, স্বৰূপ অবিকল আছিল। কিমান কম চিনেৰে সংখ্যা লিখিব পাৰি সেই কথা তাহানিতো আছিল। অশোক লিপিৰ টো সংখ্যা ২৭৪ ক লিখা হৈছিল এনেদৰে দুই শ বিছ বিছ বিছ দহ চাৰি। ইয়াত পাঁচটা চিন ব্যৱহাৰ হৈছিল বুলি দুটা চিনেৰে ৭০ লিখিছিল।

ব্ৰাহ্মী অক্ষৰ প্ৰণালী প্ৰাচীন হিন্দুৰ (গতিকে এতিয়া ভাৰতীয়) জাতীয় লিপি। ব্যাকৰণ আৰু ধ্বনি গৱেষণাৰ অন্তত পণ্ডিতসকল একমত যে ১০০০ খ্ৰী.পূ. ৰ আগতেই ব্ৰাহ্মী লিপিয়ে পূৰ্ণতা পাইছিল। এই লিপিত অংকলিপিও আছিল।

দক্ষিণ ভাতৰ শতবাহন বংশৰ এগৰাকী ৰজা বেদীশ্ৰীয়ে দিয়া দানপাত্ৰ, নানাঘাট (মহাৰাষ্ট্ৰ পুণেৰ পশ্চিমে ৮০ কি.মি.) গুহাত পোৱাগৈছে। পণ্ডিত ভাঁৰৰ লাল ইন্দ্ৰাজীয়ে ইয়াৰ পাঠোদ্ধাৰ কৰি এইবোৰ সংখ্যা পাইছে।

১,২,৪,৬,৭,৯,১০,২০,৮০,১০০,২০০০

৩০০০,৪০০,৭০০,১০০০,৪০০০,৬০০০, ১০০০০,২০০০০। তেওঁ মন কৰিছিল যে এই সংখ্যাবোৰ লিখিবলৈ ব্যৱহাৰ হৈছিল ১৯ টা স্বতন্ত্ৰ চিহ্ন। তাৰে ১১ টাই ব্ৰাহ্মী লিপিৰ।

মহাৰাষ্ট্ৰৰ নাচিক (নাসিক, শূৰ্পনখাৰ নাক কটা যোৱা বন)ৰ এটা গুহাত এখন বিতং আৰু স্পষ্ট অংকৰ তালিকা পোৱা গৈছে। ইয়াৰ ৰচনা কাল ১০০-২০০ খ্ৰীষ্টাব্দ।

হয়তো, এই সময়খিনিলৈকে ০ ইনটা অংকৰ সৈতে মিলি 'দশমিক প্ৰণালী'ৰ লিখাৰ অংকৰ থুপটো পূৰ্ণ কৰে।

জেইমচ্ প্ৰিন্সেপ (James Princepe; Examination of Inscription from Girnar, Gujerat and Dhauli in Cuttack, J. Asiatic Soc. of Bengal, 1838) নামৰ এগৰাকী ভাৰত গৱেষক (Indologist) গুজৰাত (গিৰিনাৰ) আৰু কটক (ধাউলি)ৰ কিছু শিলালিপি অধ্যয়ন কৰি এক মজাৰ অনুমান দিছে। সংখ্যা বুজোৱা সংখ্যাটোৰ আদি আখৰক কাটি কুটি সেইসংখ্যা বুজোৱা অংকটো "বনোৱা" হৈছিল। যেনে - একম (এক বুজোৱা সংখ্যা)ৰ আদ্যাক্ষৰ ৩ টা পাক খুলি ১ অংক, দ্বি (দুই বুজোৱা শব্দ)ৰ ৰ পাক কুলি ২, ত্ৰিৰ ত্ৰিৰ পৰা ৩, নৱমৰ ন ৰ পৰা ৯ ইত্যাদি) বনাইছিল। অনুমান যদিও ওজন থকা অনুমান।

আকৌ একোটা আখৰক এক সাংখ্যিক মান দিয়া হৈছিল। ৰোমান, আৰব সকলৰো এই প্ৰথা আছিল। সেয়ে জৈন সাহিত্যত আখৰৰ বিষয়ে দুটা শব্দ পাওঁ অক্ষৰ পল্লী আৰু অংকপল্লী।

কিছুমান সংখ্যাক ধৰ্মীয় পৱিত্ৰতা থাকে যনে হিন্দুৰ এক (একম্ সৎ বিপ্ৰা বহুধা বদন্তি) শিখসকলৰ এক (এক ওয়কাৰ সৎ গুৰ্ প্ৰসাদ), খ্ৰীষ্টান সকলৰ ৯৯ (তদাস্ত *Amen* 'আমিন' শব্দৰ আখৰ কেইটাই বুজোৱা সংখ্যাৰ সমষ্টি) ইচলামৰ ৭৮৬ (তেওঁলোকৰ দীঘলীয়া আশীৰ্ব্বাদটোৰ আখৰ সমূহে বুজোৱা সংখ্যাৰ যোগফল) খ্ৰীষ্টানসকলৰ ভঠো বিবাহ সংখ্যা (কাৰণ ও প্ৰথম দুটা মৌলিক সংখ্যাৰ যোগফল) ইত্যাদি।

নৃতাত্ত্বিক ধ্বনিতাত্ত্বিক আৰু ঐতিহাসিক দৃষ্টিৰ পৰা ক'ব পাৰি ভাৰতীয় অংকলিপিৰ সুস্থিৰ ৰূপ ধাৰণৰ অৱধি ১০০০ খ্ৰী.পূ.ৰ পৰা সম্ৰাট অশোকৰ সময়লৈ অক্ষৰৰ স্ৰষ্টা ব্ৰহ্মা। সেয়ে ব্ৰাহ্মী লিপি। এই লিপিৰ পৰা অংকলিপি। গতিকে অংকলিপিও ব্ৰহ্মাৰে দান (মানে অপৌৰুষেয়)। এই ধাৰণাটো নাৰদ স্মৃতি আৰু জৈন গ্ৰন্থ সমৱাঙ্গসূত্ৰত আছে বুলি গৱেষক বুলাৰ (*Buhler*) য়ে কৈছে। যোৱা শতিকাত এগৰাকী জাৰ্মান পণ্ডিত ক্ৰনেকাৰ (*Kronercker*) য়ে কৈছিল (স্বাভাৱিক) সংখ্যাবোৰ ভগৱানৰ সৃষ্টি, পৰবৰ্তীবোৰ মানুহৰ কাম।

[Die Ganzen Zahlen hat der lie be Gott Germacht, alles andere is Menschenwerk.]